Forest Department

ASSAM PROJECT ON FOREST & BIODIVERSITY CONSERVATION

AGENCE FRANÇAISE DE DÉVELOPPEMENT

# নামহুলুং যুটীয়া বন পৰিচালনা সমিতি (জে এফ এম চি)

কাঁকপথাৰ বনাঞ্চলিক, ডুমডুমা বন সংমণ্ডল

তিনিচুকীয়া জিলা, অসম

Divisional Forest Officer
Doomdooma Division

# ক্ষুদ্ৰ পৰিকল্পনা

(২০১৬-১৭ৰ পৰা ২০২৫-২৬ লৈ)

**নামহুলুং যুটীয়া বন পৰিচালনা সমিতি (JFMC)ৰ দ্বাৰা প্ৰস্তুত**

**সহায়কাৰী**

অসম বন বিভাগ

আৰু

ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কম্পেল', COMPELO)

**[ আই আই ই (IIE), আৰ জি ভি এন (RGVN) আৰু চি এম এল (CML)]**

জুলাই, ২০১৭

# সংক্ষিপ্ত শব্দৰ সম্পূৰ্ণ নামৰ তালিকা

| সংক্ষিপ্ত | সম্পূৰ্ণ নাম |
|---|---|
| এ চি এফ (ACF) | সহকাৰী বন সংৰক্ষক (এছিষ্টেন্ট কনজাৰভেটৰ অব্ ফৰেষ্টছ) |
| এ এফ ডি (ACF) | এজেন্সি ফ্ৰেঞ্চাইজি ডি ডেভেলপমেণ্ট |
| এ পি এফ বি চি (APFBC) | বন আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ অসম প্ৰকল্প<br>(আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটী কনজাৰভেচন) |
| এ পি এল (APL) | দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰৰ (এব'ভ প'ভাৰ্টি লাইন) |
| বি পি এল (BPL) | দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (বিল' পভাৰ্টি লাইন) |
| চি চি এফ (CCF) | মুখ্য বন সংৰক্ষক (চীফ কনজাৰভেটৰ অব্ ফৰেষ্টছ) |
| চি এফ (CF) | বন সংৰক্ষক (কনজাৰভেটৰ অব্ ফৰেষ্টছ) |
| চি এম এল (CML) | ক্ষুদ্ৰ বিত্তীয় সাহায্য আৰু জীৱিকা কেন্দ্ৰ ( চেণ্টাৰ ফৰ মাইক্ৰ'ফাইনেন্স এণ্ড লাইভলিহুড) |
| কম্পেল'<br>(COMPELO) | ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট<br>কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেনচিং লাইভলিহুড অপৰচুনিটিজ |
| ডি চি এফ (DCF) | উপ বন সংৰক্ষক ( ডেপুটি কনজাৰভেটৰ অব্ ফৰেষ্টছ) |
| ডি এফ অ' (DFO) | মাণ্ডলিক বন বিষয়া (ডিভিজনেল ফৰেষ্ট অফিচাৰ) |
| ই ডি চি (EDC) | পৰিৱেশ উন্নয়ন সমিতি (ইক' ডেভেলপমেণ্ট কমিটী) |
| ই পি এ (EPA) | প্ৰাৰম্ভিক কাৰ্যসূচী (এণ্ট্ৰি পইণ্ট এক্টিভিটী) |
| এফ চি এ (FCA) | বন (সংৰক্ষণ) আইন, ১৯৮১ (ফৰেষ্ট কনজাৰভেচন এক্ট, ১৯৮১) |
| এফ ডি (FD) | বন বিভাগ (ফৰেষ্ট ডিপাৰ্টমেণ্ট) |
| এফ আৰ এ (FRA) | বন অধিকাৰ আইন (ফৰেষ্ট ৰাইটছ এক্ট) |
| এফ ভি (FV) | বন গাঁও (ফৰেষ্ট ভিলেজ) |
| এফ ৱাই পি (FYP) | পঞ্চবাৰ্ষিক পৰিকল্পনা (ফাইভ য়েৰ্ছ প্লেন) |
| জি এইচ জি (GHG) | সেউজ গৃহ গেছ (গ্ৰীণ হাউছ গেছ) |
| জি অ' আই (GOI) | ভাৰত চৰকাৰ (গবৰ্ণমেণ্ট অব্ ইণ্ডিয়া) |
| জি পি (G P) | গাঁও পঞ্চায়ত |

| | |
|---|---|
| এইচ এ (Ha) | হেক্টৰ |
| এইচ এইচ (HH) | গৃহস্থ পৰিয়াল (হাউছ হোল্ডছ) |
| আই আই ই (IIE) | ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্ট্ৰ'প্ৰিনিঅ'ৰশ্বিপ) |
| জে এফ এম চি (JFMC) | যৌথ বন পৰিচালনা সমিতি (জইণ্ট ফৰেষ্ট মেনেজমেণ্ট কমিটী) |
| এম অ' ই এফ চি চি (MOEFCC) | পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয় (মিনিষ্ট্ৰি অব্ এনভাইৰনমেণ্ট, ফৰেষ্টছ এণ্ড চেইঞ্জ) |
| এম টি (MT) | মেট্ৰিক টন |
| এন টি এফ পি (NTFP) | কাঠ ভিন্ন বন উৎপাদন (নন টিম্বাৰ ফৰষ্টে প্ৰডিউচ) |
| অ' বি চি (OBC) | অন্যান্য অনগ্ৰসৰ শ্ৰেণী (আদাৰ বেকৱাৰ্ড ক্লাছেছ) |
| এছ ডি পি (SDP) | দক্ষতা উন্নয়ন কৰ্মসূচী (স্কিল ডেভেলপমেণ্ট প্ৰোগ্ৰাম) |
| এছ টি (ST) | অনুসূচিত জনজাতি (ছিডিউল ট্ৰাইব) |
| এছ চি (SC) | অনুসূচিত জাতি (ছিডিউল কাষ্ট) |
| পি এইচ চি (PHC) | প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (প্ৰাইমেৰি হেল্থ চেণ্টাৰ) |
| পি এম ইউ (PMU) | প্ৰকল্প নিৰীক্ষণ গোট (প্ৰজেক্ট মনিটাৰিং ইউনিট) |
| পি আৰ এ (PRA) | অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়ণ (পাৰ্টিচিপেটৰি ৰুৰেল এপ্ৰাইজেল) |
| আৰ অ' (RO) | বনাঞ্চলিক বিষয়া (ৰেঞ্জ অফিচাৰ) |
| আৰ জি ভি এন (RGVN) | ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি |
| এছ ডি জি (SDG) | নিৰ্বাহক্ষম উন্নয়ন লক্ষ্য (ছাষ্টেটেইনেৱল ডেভেলপমেণ্ট গ'লছ) |
| এছ এল এফ (SLF) | নিৰ্বাহক্ষম জীৱিকা ফ্ৰেমৱৰ্ক (ছাষ্টেইনেৱল লাইভলিহুড ফ্ৰেমৱৰ্ক) |
| এছ ডব্লিউ অ' টি (SWOT) | সবলতা, দুৰ্বলতা, সুযোগ আৰু শংকা (ষ্ট্ৰেংথ, উইকনেছ, অপৰ্চুনিটি এণ্ড থ্ৰেট) |
| ডব্লিউ পি চি (WPC) | কৰ্ম পৰিকল্পনা চক্ৰ (ৱৰ্কিং প্লেন ছাৰ্কেল) |

# নামহুলুং যুটীয়া বন পৰিচালনা সমিতি
## কাঁকপথাৰ বনাঞ্চলিক, ডুমডুমা সংমণ্ডল

## ক্ষুদ্ৰ পৰিকল্পনা ১০ বছৰৰ বাবে
## জীৱিকা উন্নয়ন পৰিকল্পনা আৰু বন উন্নয়ন পৰিকল্পনা

সূচীপত্ৰ


| অধ্যায় | শিৰোনাম | পৃষ্ঠা নং |
|---|---|---|
| ১ | ভূমিকা | ৫ |
| ২ | গাঁৱৰ আৰ্থ-সামাজিক ৰূপৰেখা | ৬-১০ |
| ৩ | জীৱিকাৰ সুবিধা বিশ্লেষণ | ১১-১৭ |
| ৪ | জীৱিকা উন্নয়ন পৰিকল্পনা | ১৮ |
| ৫ | কৰ্ম পৰিকল্পনা | ১৯-২০ |
| ৬ | বন উন্নয়ন পৰিকল্পনা | ২১-৩৯ |
| ৭ | পৰিশিষ্ট তালিকা | ৪০-৬৬ |


Divisional Forest Officer
Doomdooma Division
Doomdooma

## ১। ভূমিকা

| | |
|---|---|
| **প্ৰকল্পটোৰ সম্পৰ্কে** | অসম বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ প্ৰকল্প (আছাম প্ৰজেক্ট অন বায়'ডাইভাৰ্ছিটী কনজাৰ্ভেচন)ৰ (এ পি এফ বি চি) উদ্দেশ্য হৈছে— নিৰ্দিষ্ট এলেকাৰ বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সম্প্ৰদায়সমূহৰ অংশগ্ৰহণ আৰু বনজ আৰু বনজবহিৰ্ভূত স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে তেওঁলোকৰ জীৱিকা সুনিশ্চিত কৰিবলৈ বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে বহুমুখী সুসংহত পৰিকল্পনাৰ দ্বাৰা অসমত স্থিতিশীল বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ আৰু পৰিচালনৰ ব্যৱস্থা কৰা। প্ৰকল্পটোৰ লক্ষ্য হৈছে— 'বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সম্প্ৰদায়সমূহৰ সহযোগত তেওঁলোকৰ জীৱিকা আৰু জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু স্থিতিশীল ব্যৱহাৰৰ জৰিয়তে বনাঞ্চল সংৰক্ষণ আৰু পৰিৱেশতন্ত্ৰক পুনৰুদ্ধাৰ কৰা।'<br>উপৰ্য্যুক্ত প্ৰকল্পলৈ বিত্তীয় সাহায্য আগবঢ়াইছে এজেন্স ফ্ৰান্স ডি ডেভেলপমেণ্ট (এফ ডি) অৰ্থাৎ ফ্ৰেঞ্চ ডেভেলপমেণ্ট এজেন্সি। অসম চৰকাৰেও সহযোগী হিচাপে আৰ্থিক অনুদান আগবঢ়াইছে। প্ৰকল্পটোৰ পৰিকল্পনা, ৰূপায়ণ, পৰ্যবেক্ষণ, সমন্বয় আৰু ব্যৱস্থাপনাসহ সকলো কামৰ দায়িত্বত আছে আছাম প্ৰজেক্ট অন ফৰেষ্ট এণ্ড বায়'ডাইভাৰ্ছিটি কনজাৰভেচন ছোচাইটি। |
| **ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়ন** | বজাৰৰ সম্ভাৱনীয়তাভিত্তিক মূল্য সংযোজনৰ জৰিয়তে জীৱিকাৰ কাম-কাজ উন্নত কৰিবলৈ প্ৰকল্পটোত উদ্যোগমূলক বিকাশ, উৎপাদিত সামগ্ৰীৰ প্ৰক্ৰিয়াকৰণৰ জৰিয়তে মূল্য সংযোজন আৰু বিপণনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। জনসংখ্যা বৃদ্ধিৰ লগে লগে বনজ সম্পদ ওপৰত বৃদ্ধি পোৱা হেঁচাৰ পৰিপ্ৰেক্ষিতত এনে পদক্ষেপ জৰুৰী হৈ পৰিছে। বজাৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমানে উপলব্ধ বনজ আৰু জৈৱ-বৈচিত্ৰ্য সামগ্ৰী আৰু সেৱাসমূহত মূল্য সংযোজনৰ উপায় উদ্ভাৱন কৰাটো প্ৰয়োজন হৈ পৰিছে। তদুপৰি, বনাঞ্চলভিত্তিক জীৱিকাৰ বাহিৰে জীৱিকাৰ অন্য পথ বিচাৰি উলিওৱা আৰু দক্ষতা বিকাশ পদক্ষেপৰ জৰিয়তে সম্প্ৰদায়ৰ সদস্যসকলৰ সক্ষমতা বৃদ্ধি কৰাও দৰকাৰ।<br>প্ৰকল্পটোৰ অধীনত ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকা উন্নয়নৰ কাৰ্যসূচী ৰূপায়ণৰ বাবে ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (ইণ্ডিয়ান ইনষ্টিটিউট অব্ এণ্টাৰপ্ৰিনিয়ৰশ্বিপ, আই আই ই), গুৱাহাটী আৰু ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধি (আৰ জি ভি এন) আৰু 'চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেন্স এণ্ড লাইভলিহুড' (চি এম এল)ক লৈ এখন সমিতি গঠন কৰা হৈছে। এই সমিতিখনৰ নাম দিয়া হৈছে— ক্ষুদ্ৰ পৰিকল্পনা আৰু জীৱিকাৰ সুযোগ বৃদ্ধিৰ বাবে গঠিত মহাজোঁট (কনছাল্টিং ছাৰ্ভিচ ফৰ মাইক্ৰ'প্লেনিং এনহেন্সিং লাইভলিহুড অপৰ্চুনিটিজ)' চমুকৈ কম্পেল'।<br>প্ৰকল্পটোৰ নিৰ্দেশনা মতে এই ক্ষুদ্ৰ পৰিকল্পনাত অন্তৰ্ভুক্ত হৈ আছে 'গাঁও আৰু বন বিভাগৰ বিভিন্ন অভিযান আৰু বনাঞ্চলৰ ওপৰত নিৰ্ভৰশীল সদস্যক জীৱিকাৰ ক্ষেত্ৰত সহায় কৰা আৰু স্থিতিশীল বন ব্যৱস্থাপনাক এক প্ৰসাৰিত লক্ষ্য হিচাপে গণ্য কৰা।' বন উন্নয়ন আৰু জীৱিকা উন্নয়ন উভয় লক্ষ্যকে এই প্ৰকল্পত সামৰি লোৱা হৈছে। |
| **নামহুলুং জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা** | অসমৰ তিনিচুকীয়া জিলাত অৱস্থিত নামহুলুং জে এফ এম চিৰ বাবে ক্ষুদ্ৰ পৰিকল্পনা এই নথিত প্ৰকাশ কৰা হৈছে। এই নামহুলুং জে এফ এম চি ডুমডুমা বন সংমণ্ডলৰ অধীনস্থ কাকপথাৰ বনাঞ্চলিকত অৱস্থিত।<br>বৰ্তমান ক্ষুদ্ৰ পৰিকল্পনা সম্প্ৰদায়ৰ পুৰুষ আৰু মহিলাসহ সকলো সদস্যৰ অংশগ্ৰহণৰ জৰিয়তে প্ৰস্তুত কৰা হৈছে। ২০১৬ চনৰ জুন মাহত গুৱাহাটীৰ চেণ্টাৰ ফৰ মাইক্ৰ'ফাইনেন্স এণ্ড লাইভলিহুডৰ বিষয়া আৰু সম্প্ৰদায়ৰ সদস্যসকলৰ দ্বাৰা অংশগ্ৰহণমূলক গ্ৰামীণ মূল্যায়ণৰ ফল হিচাপেই এই নথি প্ৰস্তুত হৈছে। প্ৰকল্প নিৰ্দেশিকাৰ ভিত্তিত চি এম এলৰ দ্বাৰা ক্ষুদ্ৰ পৰিকল্পনা যুগুতোৱা হৈছে। ৪ নৱেম্বৰ, ২০১৬ তাৰিখে গৃহীত কৰাৰ বাবে এই নথি আলোচনা কৰি চূড়ান্ত কৰা হৈছে। |

## ২। গাঁৱৰ আৰ্থ-সামাজিক বিৱৰণ

<table>
<tr><td>অৱস্থিতি</td><td>ডুমডুমা বন সংমণ্ডলৰ অধীনত অৱস্থিত নামহুলুং আৰু খেৰজানত বৰ্তমান বসবাসকাৰী সম্প্ৰদায়ক সামৰি লৈ নামহুলুং যুটীয়া বন পৰিচালনা সমিতি (জে এফ এম চি) গঠন কৰা হৈছে। ডুমডুমা বন সংমণ্ডলৰ পৰা ৫ কিলোমিটাৰ নিলগত এই জে এফ এম চি অৱস্থিত। উক্ত জে এফ এম চিৰ অন্তৰ্গত অঞ্চল অসমৰ তিনিচুকীয়া জিলাৰ বৰডুমচা ৰাজহ চক্ৰৰ কৈলাসপুৰ পঞ্চায়তৰ অধীনত পৰে।<br><br>পৰিশিষ্ট-১-ত গাঁৱৰ মানচিত্ৰ দিয়া হৈছে।</td></tr>
<tr><td>মূল তথ্য</td><td>জে এফ এম চিৰ মূল তথ্য তলত উল্লেখ কৰা হ'ল।<br><br>তালিকা-ক ঃ জে এফ এম চিৰ মূল তথ্য<br><br>
<table>
<tr><td>জে এফ এম চিৰ নাম</td><td>নামহুলুং</td></tr>
<tr><td>জিলা</td><td>তিনিচুকীয়া</td></tr>
<tr><td>বন সংমণ্ডল</td><td>ডুমডুমা</td></tr>
<tr><td>বন আঞ্চলিক</td><td>কাঁকপথাৰ</td></tr>
<tr><td>বন লাট</td><td>বৰজান</td></tr>
<tr><td>গঠনৰ বছৰ</td><td>২০১৫-১৬</td></tr>
<tr><td>বনাঞ্চলৰ বাবে ধাৰ্য এলেকা</td><td>৫০</td></tr>
<tr><td>মুঠ পৰিয়াল</td><td>১৭৮</td></tr>
<tr><td>জে এফ এম চি গাঁৱৰ সংখ্যা</td><td>১</td></tr>
<tr><td>জে এফ এম চিৰ চাৰিসীমা</td><td>উত্তৰ ঃ নামহুলুং বনাঞ্চল<br>দক্ষিণ ঃ ফিল'বাৰী চাহ বাগিচা<br>পশ্চিম ঃ নামহুলুং বনাঞ্চল<br>পূব ঃ মোডাখাত গাঁও</td></tr>
<tr><td>লাট কাৰ্যালয়ৰ নাম</td><td>কাঁকপথাৰ</td></tr>
</table>
উৎস ঃ জে এফ এম চিৰ নথি আৰু ২০১৬ৰ জুন মাহত পি আৰ এ অনুশীলনৰ সময়ত হোৱা আলোচনা<br><br>অতিৰিক্ত বিতং তথ্য নথি-১ৰ তালিকা-১-ত (পৰিশিষ্টত দিয়া হৈছে) দিয়া হৈছে।</td></tr>
</table>

<table>
<tr>
<td>কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ</td>
<td>
জে এফ এম চিৰ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ তলৰ তালিকাত দিয়া হ'ল।<br><br>
তালিকা-খ ঃ কাৰ্যকৰী আৰু সাধাৰণ সমিতিৰ সংক্ষিপ্ত বিৱৰণ
<table>
<tr><td>সভাপতিৰ নাম</td><td>অনিল কোঁৱৰ (৯৯৫৭১১৪১৪৪)</td></tr>
<tr><td>সচিবৰ নাম</td><td>প্ৰবীণ মহন্ত (৯৯৫৪১৪২৫২৪)</td></tr>
<tr><td>কোষাধ্যক্ষৰ নাম</td><td>শ্ৰীমতী মামণি গগৈ</td></tr>
<tr><td>কাৰ্যকৰী সমিতিৰ সদস্য সংখ্যা</td><td>৯ (পুৰুষ ঃ ৬, মহিলা ঃ ৩)</td></tr>
<tr><td>সাধাৰণ সমিতিৰ সদস্য সংখ্যা</td><td>১৭৮</td></tr>
</table>
উৎস ঃ জে এফ এম চিৰ নথি।
</td>
</tr>
<tr>
<td>পৰিয়াল আৰু জনসংখ্যা গাঁথনি</td>
<td>
নামহুলুং নামৰ এখন গাঁৱক লৈ নামহুলুং জে এফ এম চি গঠিত। জে এফ এম চিৰ মুঠ পৰিয়ালৰ সংখ্যা ১৭৮। মুঠ জনসংখ্যা ৯১২। ইয়াৰে ৪৬৭জন পুৰুষ আৰু ৪৪৫গৰাকী মহিলা। মহিলা মুৰব্বী থকা পৰিয়ালৰ সংখ্যা ১৩। ১৭৮টা পৰিয়ালৰ ভিতৰত ১১৪টা পৰিয়াল দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ শ্ৰেণীৰ। আৰু ৪৮ পৰিয়াল উপান্ত আৰু ১৭টা পৰিয়াল ধনী শ্ৰেণীভুক্ত।<br><br>
১৭৮টা পৰিয়ালৰ ভিতৰত ১২৭টা পৰিয়াল অ'বিচি/এমঅ'বিচি শ্ৰেণীৰ। ৫১টা পৰিয়াল অনুসূচিত জনজাতি সম্প্ৰদায়ৰ।<br><br>
ইয়াৰ পৰা জনা যায় যে ঃ<br><br>
১। পৰিয়ালৰ গড় সদস্য সংখ্যা ৫<br><br>
২। গাঁওখনৰ লিংগানুপাত হৈছে প্ৰতি ১০০০জন পুৰুষৰ বিপৰীতে ৪৭১গৰাকী মহিলা।<br><br>
নথি-১ৰ তালিকা-২ এই বিষয়ে বিতং তথ্য দিয়া হৈছে।
</td>
</tr>
<tr>
<td>শিক্ষা আৰু দক্ষতা বিকাশ</td>
<td>
শিক্ষা আৰু দক্ষতা উন্নয়নৰ ক্ষেত্ৰত জনসংখ্যাৰ ২৬.৪০% নিৰক্ষৰ বুলি জানিব পৰা গৈছে। সম্প্ৰদায়ৰ অধিকাংশ সদস্যই স্কুল পৰ্যায়ৰ শিক্ষা লাভ কৰিছে। আনহাতে তুলনামূলকভাৱে অতি কমসংখ্যক পৰিয়ালৰ সদস্যই কলেজ পৰ্যায়ৰ শিক্ষা লাভ কৰিছে।<br><br>
আনুষ্ঠানিক আৰু অনানুষ্ঠানিক— এই দুই ধৰণৰ জীৱিকা দক্ষতা আহৰণ কৰিছে। জে এফ এম চি এলেকাত অনানুষ্ঠানিক দক্ষতা উন্নয়নৰ অৰ্থ হৈছে পৰম্পৰাগতভাৱে আহৰণ কৰা দক্ষতা। জনসাধাৰণৰ নিম্নোক্ত ক্ষেত্ৰসমূহত পৰম্পৰাগত দক্ষতা আছে।<br><br>
ক) হস্ততাঁত<br><br>
খ) মীন পালন<br><br>
গ) পশুপালন<br><br>
ঘ) কৃষি<br><br>
সমগ্ৰ দেশৰ লগতে ৰাজ্যখনতো আনুষ্ঠানিক দক্ষতা উন্নয়ন কাৰ্যসূচী প্ৰসাৰৰ বাবে চৰকাৰে সক্ৰিয় ভূমিকা পালন কৰি আহিছে। বসতি অঞ্চল বা ইয়াৰ পাৰ্শ্ববৰ্তী
</td>
</tr>
</table>

| | |
|---|---|
| | অঞ্চলসমূহত এই ধৰণৰ কোনো কৰ্মসূচী ৰূপায়ণৰ জৰিয়তে গাঁওখন উপকৃত হোৱা বুলি জানিব পৰা হোৱা নাই। |
| **ভূমি** | নামহুলুং জে এফ এম চিৰ গাঁওসমূহত তিনি প্ৰকাৰৰ মাটি দেখা যায়। যেনে বালিমিশ্ৰিত মাটি, বালিঅঁহীয়া আৰু বোকা মাটি।<br>ফলত এই ধৰণৰ মাটি গ্ৰীষ্মকালীন চাউল (শালিধান), সৰিয়হ, মটৰ, ঋতুকালীন পাচলি আদিসহ ৰবিশস্য খেতিৰ বাবে উপযোগী। |
| **পানী** | ভূগৰ্ভস্থ পানীয়েই খোৱাপানীৰ প্ৰধান উৎস। গোটেই বছৰজুৰি উন্নত মানৰ পানী গাঁওবাসীৰ বাবে পৰ্যাপ্ত। প্ৰায় প্ৰতিটো পৰিয়ালৰেই টিউবৱেল আৰু কুঁৱা আছে। প্ৰাকৃতিক ক্ষুদ্ৰ জলধাৰাও আছে। |
| **জলবায়ু ঃ**<br>**উষ্ণতা আৰু বৰষুণ** | জুলাই/আগষ্ট মাহত তাপমাত্ৰা সাধাৰণতে সৰ্বোচ্চ (৩৫° চেলচিয়াছ) আৰু ডিচেম্বৰ/জানুৱাৰীত সৰ্বনিম্ন (৭-৮° চেলচিয়াছ)। পুৱাৰ ভাগত আৰ্দ্ৰতা ৯০-৯৫% আৰু বিয়লিৰ ভাগত ৫০-৭০%। এই অঞ্চলৰ জলবায়ু উপ গ্ৰীষ্ম মণ্ডলীয় আৰ্দ্ৰ আৰু গ্ৰীষ্মকালত গৰম আৰু সেমেকা বৈশিষ্ট আৰু গ্ৰীষ্মকালত শীতল শুষ্ক।<br>নামহুলুং জে এফ এম চিত প্ৰতি বছৰ বৰষুণৰ পৰিমাণ ২৩০০ৰ পৰা ৩০০০ মিঃ মিঃ লৈকে। এলেকাত বাৰ্ষিক বৰষুণৰ গড় পৰিমাণ ২৮১৯ মিঃ মিঃ। আনহাতে স্বাভাৱিক বৰষুণ (১৯০১-১৯৫০) হৈছে (২৭৯৬.৪ মিঃ মিঃ) দেখা গৈছে বাৰিষাকালত (জুন-ছেপ্টেম্বৰ) বাৰ্ষিক গড় বৰষুণৰ পৰিমাণ ৬৪ৰ পৰা ৬৮% আৰু প্ৰাক বাৰিষাৰ সময়ত (মাৰ্চ-মে') বাৰ্ষিক গড় বৰষুণৰ পৰিমাণ ২২ৰ পৰা ২৬%। |
| **বন আৰু জৈৱ-বৈচিত্ৰ্য** | স্থানীয় বনাঞ্চলসমূহক সাধাৰণভাৱে গ্ৰীষ্ম মণ্ডলীয় আৰ্দ্ৰ চিৰহৰিৎ বনাঞ্চল হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে। নিকটৱৰ্তী বনাঞ্চলত বিভিন্ন প্ৰজাতিৰ গছগছনিৰে সমৃদ্ধ যেনে লেজাৰষ্ট্ৰোৰেমিয়া পাৰ্ভিফ্লোৰা (ছিডা), ডেলেনিক্স ৰেছিয়া (ৰাধাচূড়া), ক্ৰেছিনিফেৰা (ধূলা-ধূপ), ফিকাছ হিছপিডা (ডিমৰু), কায়েছল্পিমা পুলচেৰিমা (কৃষ্ণচূড়া), টেট্ৰামেলেছ ম্ডিফ্লোৰা (ভেলেউ) আৰু টেক্ট'না গ্ৰেন্ডিছ (চেগুন) আদি। এই বনাঞ্চলত আছে ত্ৰালফেন্ট এপ্ল, বাঁহ, খেৰ, পশুখাদ্য, ভেষজ উদ্ভিদ।<br>এই সম্পৰ্কীয় অতিৰিক্ত তথ্য 'বনোন্নয়ন পৰিকল্পনা'ত দিয়া হৈছে। |
| **ভূমি ব্যৱহাৰৰ ধৰণ** | গাঁৱৰ ভূমি ব্যৱহাৰৰ ধৰণ পৰিশিষ্ট-২ত দিয়া হৈছে। এই পৰিশিষ্ট অনুসৰি গাঁৱৰ ভূমি ব্যৱহাৰৰ নিম্নোক্ত ধৰণ দেখা গৈছে ঃ<br>* কাঠখৰিৰ গছ ৰোপণ ৩৫%<br>* ক্ষতিগ্ৰস্ত বনাঞ্চল ২৫%<br>* ধাননি পথাৰ ১৫%<br>* পুখুৰী ১০%<br>* পথ ২%<br>* সংস্থাপিত এলেকা ৩%<br>* জলধাৰা ২%<br>* বৃক্ষ আচ্ছাদিত এলেকা ১%<br>* জলাশয় ৭% |

| | |
|---|---|
| **ভূমি মালিকানা** | প্ৰতিটো পৰিয়ালৰ ভূমি ধাৰণৰ ধৰণ **নথি-(I)**ৰ **তালিকা-৩**ত উল্লেখ কৰা হৈছে। এই তালিকাৰ পৰা তলৰ তথ্যসমূহ পোৱা যায় ঃ<br>* ৬২.৯৩% পৰিয়ালৰ কৃষিভূমি আছে (৭৩টা পৰিয়াল)<br>* বৃহৎ খেতিয়ক (> ১০ হেক্টৰ) ৪.৩১% (৫টা পৰিয়াল)<br>* ক্ষুদ্ৰ খেতিয়ক (২-১০ হেক্টৰ) ১৫.৫২% (১৮টা পৰিয়াল)<br>* উপান্ত খেতিয়ক (< ২ হেক্টৰ) ৪৩.১০% (৫০টা পৰিয়াল)<br>* ভূমিহীন ৩৭.০৭% (৪৩টা পৰিয়াল) |
| **পশুধন** | গাঁওখনত পশুধনৰ মুঠ ৬৫৪টা। পৰিয়ালসমূহে প্ৰতিপালন কৰা ঘাই ঘাই পশুধন হৈছে ঃ<br>* গাইগৰু ঃ ৩৩১<br>* ষাঁড় ঃ ১৩৯<br>* ম'হ ঃ ০<br>* হাঁহ-কুকুৰা ঃ ১৬৩০<br>* গাহৰি ঃ ২২১<br>* ছাগলী ঃ ৩৪৬<br>উপৰ্যুক্ত বিষয়ে বিতং **তথ্য-(I)**ৰ **তালিকা-৪**ত উল্লেখ কৰা হৈছে। |
| **গাঁৱৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা** | যিকোনো জনগোষ্ঠীৰ বাবে মৌলিক আন্তঃগাঁথনিৰ পৰ্যাপ্ততাই জীৱিকাৰ স্থিতিশীল উপায়ৰ উন্নয়নত সহায় কৰে।<br>গাঁৱত উপলব্ধ আন্তঃগাঁথনিসমূহক নিম্নোক্ত ধৰণে শ্ৰেণীভুক্ত কৰিব পাৰি ঃ<br>**বাস্তৱিক আন্তঃগাঁথনি ঃ** পৰিয়ালসমূহৰ বিদ্যুৎ, মোবাইল ফোন, যোগাযোগৰ বাবে চাইকেল আৰু মটৰ চাইকেলসহ মৌলিক সা-সুবিধাসমূহ আছে। ঘাইপথৰ সৈতে গাঁওসমূহ ভালধৰণে সংযুক্ত আৰু এই পথেৰে চহৰৰ সৈতে সংযুক্ত।<br>**শিক্ষা আৰু স্বাস্থ্য সেৱা ঃ** শিক্ষা আৰু স্বাস্থ্য ব্যৱস্থা হিচাপে আছে এখন প্ৰাথমিক বিদ্যালয়, ২টা অংগনৱাড়ী কেন্দ্ৰ, এটা ৰাজহুৱা চিকিৎসা কেন্দ্ৰ যিবোৰ পৰিয়ালসমূহৰ বাবে পৰ্যাপ্ত।<br>**চৰকাৰী কাৰ্যালয় ঃ** এলেকাত চৰকাৰী কাৰ্যালয় আৰু সহযোগী যিবোৰ বিভাগ আছে সেইবোৰ হৈছে, পঞ্চায়ত কাৰ্যালয়, ৰাজহ কাৰ্যালয়, স্থানীয় থানা, বন বিভাগৰ লাট কাৰ্যালয়। কিন্তু এই আটাইবোৰ কাৰ্যালয় গাঁওসমূহৰ পৰা যথেষ্ট দূৰত।<br>**বিত্তীয় প্ৰতিষ্ঠান ঃ** এলেকাত বেংক আৰু ডাকঘৰ আছে যদিও গাঁওখনৰ পৰা যথেষ্ট অৰ্থাৎ গড় হিচাপত ৫ কিলোমিটাৰ দূৰত অৱস্থিত।<br>**নথি-(I)**ৰ **তালিকা-৫**ত গাঁৱৰ আন্তঃগাঁথনিৰ বৰ্তমান অৱস্থা দাঙি ধৰা হৈছে। |
| **কৃষিশস্য** | গাঁৱত উৎপাদিত কৃষিজাত শস্যৰ বিতং তথ্য **নথি-(I)**ৰ **তালিকা-৬**ত দিয়া হৈছে।<br>* গাঁৱৰ পৰিয়ালসমূহৰ মাত্ৰ ৬% শালিধানৰ খেতিত যুক্ত।<br>* ডুমডুমা চহৰখন নিকটৱৰ্তী হোৱাত আৰু কৃষি ভূমি নথকা কাৰণে কৃষকসকলক কৃষি কাৰ্যত যুক্ত হোৱাত নিৰুৎসাহিত কৰিছে। কঁঠাল, আম, কল আৰু পাচলি আদি নিৰ্দিষ্ট কিছু পৰম্পৰাগত ফল আৰু শস্য কৃষকসকলে উৎপাদন কৰে।<br>* কিছু সংখ্যক পৰিয়াল ক্ষুদ্ৰ চাহ বাগিচাৰ কামতো নিযুক্ত হৈছে। |

| | |
|---|---|
| **শস্য উৎপাদনৰ বিৰৰণ** | গাঁৱত শস্যৰ উৎপাদন আৰু তাৰ পৰিমাণ **নথি-(I)ৰ তালিকা-৭ত** উল্লেখ কৰা হৈছে। গাঁৱত উৎপাদিত শস্য আৰু পৰিমাণ নিম্নৰূপ। পৰিয়ালসমূহে খেতি কৰা শস্য ঘাইকৈ বৰষুণৰ ওপৰত নিৰ্ভৰশীল। |
| **পশুখাদ্যৰ পৰ্যাপ্ততা** | গাঁওখনত পশুখাদ্যৰ পৰ্যাপ্ততা **নথি-(I)ৰ তালিকা-৮ত** উল্লেখ কৰা হৈছে। এই তথ্যৰ পৰা দেখা যায় গাঁৱৰ পশুখাদ্যৰ প্ৰধান উৎসবোৰ নিম্নৰূপ ঃ<br>* শস্যৰ অৱশিষ্টাংশ<br>* বনাঞ্চলৰ পশুচাৰণ<br>* পৰিয়ালৰ আৱাসৰ পেলনীয়া বস্তু<br>* সেউজ খাদ্য |
| **বজাৰ** | গাঁৱৰ পৰা বিভিন্ন বজাৰৰ দূৰত্ব **নথি-(I)ৰ তালিকা-৯ত** উল্লেখ কৰা হৈছে। সম্প্ৰদায়ে ব্যৱহাৰ কৰা প্ৰধান বজাৰসমূহ আৰু জে এফ এম চিৰ পৰা দূৰত্ব তলত উল্লেখ কৰা হ'ল ঃ<br>* গেলামাল/সুলভ মূল্যৰ দোকান গাঁৱৰ পৰা প্ৰায় ১ কিলোমিটাৰ দূৰত।<br>* সাপ্তাহিক/অৰ্ধ-সাপ্তাহিক বজাৰ প্ৰায় ৩ কিলোমিটাৰ দূৰত।<br>* প্ৰধান বজাৰ ঃ ডিগবৈ (প্ৰায় ৪ কিলোমিটাৰ দূৰত) |
| **জল সম্পদ** | **নথি-(I)ৰ তালিকা-১০ত** জলসম্পদৰ তথ্য দিয়া হৈছে। পানীৰ প্ৰধান উৎসবোৰ আৰু পানীৰ পৰ্যাপ্ততা নিম্নৰূপ ঃ<br>* টিউবৱেল ঃ ৮৮টা (পৰ্যাপ্ত)<br>* নদী ঃ ১খন (পৰ্যাপ্ত) ডিগবৈ নদী<br>* কুঁৱা ঃ ৫ |
| **শক্তিৰ ব্যৱহাৰ** | গাঁওখনত শক্তিৰ ঘাই ঘাই উৎসবোৰ **নথি-(I)ৰ তালিকা-১১ত** দেখুওৱা হৈছে। তালিকাত উল্লেখিত তথ্য নিম্নৰূপ ঃ<br>ক) কাঠখৰি ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ১৩০টা, উৎস ঃ স্থানীয় বনাঞ্চল এলেকা<br>খ) ৰন্ধন গেছ ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ২৩টা<br>গ) কেৰাচিন ঃ নিৰ্ভৰশীল পৰিয়াল ঃ ১৩০টা, উৎস ঃ বাহিৰৰ বজাৰ |
| **আৰ্থ-সামাজিক স্থিতি** | **সামাজিক গাঁথনি ঃ** গাঁও বিলাকত বসবাস কৰা লোকসকলৰ অধিকাংশ অ' বি চি শ্ৰেণীৰ। সমাজত সামগ্ৰিকভাৱে গভীৰ জাত-পাতৰ বিভাজন নাই। মহিলাসকলৰ অৱস্থা সন্তোষজনক।<br>**অৰ্থনৈতিক অৱস্থা ঃ** এলেকাৰ লোকসকলৰ অৰ্থনৈতিক অৱস্থা সামগ্ৰিকভাৱে সন্তোষজনক। পৰিয়ালসমূহৰ বাৰ্ষিক উপাৰ্জন পৰিয়াল প্ৰতি ২০,০০০ টকাৰ পৰা ১,৫০,০০০ টকালৈকে।<br>অ' বি চি সম্প্ৰদায়ৰ লোকসকলৰ গাঁৱৰ পৰা বৰ বিশেষ বহিৰ্গমন হোৱা নাই। কিন্তু আদিবাসী সম্প্ৰদায়ৰ যুৱকসকলে পাৰ্শ্ববৰ্তী চহৰলৈ স্থায়ী চাকৰিৰ সন্ধানত প্ৰব্ৰজন কৰিছে। |
| **মানচিত্ৰ** | অংশগ্ৰহণমূলক (পি আৰ এ) অনুশীলনৰ ভিত্তিত প্ৰস্তুত কৰা তলৰ মানচিত্ৰসমূহ পৰিশিষ্ট-১ত সন্নিৱিষ্ট কৰা হৈছে।<br>* গাঁৱৰ মানচিত্ৰ<br>* গাঁৱৰ সামাজিক মানচিত্ৰ (পি আৰ এ অনুশীলনৰ সদস্যৰ নাম আৰু সবিশেষ)<br>* গাঁৱৰ সম্পদ মানচিত্ৰ |

## ৩। জীৱিকাৰ সুবিধা বিশ্লেষণ

| | |
|---|---|
| **পি আৰ এ অনুশীলন** | গুৱাহাটীৰ চি এম এল-ৰ দলে নামহুলুং গাঁৱত অনুষ্ঠিত কৰা পি আৰ এ অনুশীলন তলত উল্লেখ কৰা হ'ল ঃ<br>**তাৰিখ ঃ** ০৩-১১-২০১৬<br>**স্থান ঃ** মৰাণ কাৰ্যালয়<br>**উপস্থিত লোকৰ সংখ্যা ঃ** ২০<br>**উপস্থিত থাকে ঃ** জে এফ এম চিৰ বিষয়ববীয়াসকল, গাঁওবুঢ়া, সম্প্ৰদায়ৰ সদস্যসকল, বন বিভাগৰ কৰ্মচাৰীসকল আদি। |
| **পি আৰ এৰ উদ্দেশ্য** | অনুশীলনৰ নিৰ্দিষ্ট উদ্দেশ্যসমূহ হৈছে ঃ |
| **পি আৰ এত ব্যৱহৃত সা-সৰঞ্জাম আৰু জ্ঞাত তথ্য** | ক) অঞ্চলটোৰ ভিতৰত বৰ্তমান জীৱিকাৰ উপায়সমূহ, প্ৰাবল্য আৰু প্ৰত্যাহ্বানসমূহ উপলব্ধি কৰা।<br>খ) দৰিদ্ৰ লোকসকলৰ ঋণৰ প্ৰয়োজনীয়তা আৰু ঋণ লাভৰ পদ্ধতি সম্পৰ্কে ভালকৈ উপলব্ধি কৰা। উপায়সমূহ, প্ৰত্যাহ্বান আৰু বিত্তীয় সেৱা আগবঢ়াবলৈ আগ্ৰহী বিত্তীয় প্ৰতিষ্ঠানসমূহৰ পৰা সুযোগসমূহ পৰীক্ষা কৰা আৰু<br>গ) বৰ্তমান জীৱিকাৰ সহায়ক ব্যৱস্থাসমূহ চিহ্নিত কৰা আৰু উপাৰ্জন বৃদ্ধিৰ বাবে জীৱিকাৰ সহায়ক সেৱা আগবঢ়াবলৈ নিৰ্ভৰযোগ্য উপায় উলিওৱা আৰু জনসাধাৰণক নিযুক্তি সুযোগ প্ৰদান কৰা। |
| **পি আৰ এ-ৰ ফলাফল আৰু ব্যৱহাৰ কৰা আহিলা** | বিভিন্ন আহিলা ব্যৱহাৰ কৰা হৈছে আৰু ফলাফল সংগ্ৰহ কৰা হৈছে। এইবোৰৰ ভিতৰত আছে ঃ<br>* সামাজিক মানচিত্ৰায়ন<br>* সম্পদ মানচিত্ৰায়ন<br>* সম্পদৰ স্থানাংক নিৰ্ধাৰণ<br>* জীৱিকাৰ ঋতুকালীন আৰু<br>* ভেন ডায়েগ্ৰাম |
| **স্থানাংক** | নিম্নোক্ত বিষয়বোৰৰ বাবে স্থানাংক নিৰ্ধাৰণ কৰা হৈছে ঃ<br>* জীৱিকা আৰু দক্ষতা উন্নয়ন<br>* প্ৰাৰম্ভিক কাম-কাজ (ই পি এ)<br>ওপৰৰ বিষয়বোৰ **পৰিশিষ্ট-৩-ত** বিতংভাৱে উল্লেখ কৰা হৈছে । এইবোৰ বিষয় এনেধৰণৰ ঃ<br>**জীৱিকা আৰু দক্ষতা উন্নয়নৰ স্থানাংক**<br>১। কৃষি<br>২। পশুধন<br>৩। ভেষজ উদ্ভিদ |

**ই পি এ-ৰ স্থানাংক**

| ক্ৰমিক নং | স্থানাংক অনুসাৰে গাঁৱৰ ই পি এ | বিতং বিৰৰণ (পৰিশিষ্ট-৩-ত অতিৰিক্ত তথ্য দিয়া হৈছে) | পুঁজিৰ সম্ভাৱনীয় উৎস/বিভাগ |
|---|---|---|---|
| ১ | পথ | ব্লেক টেপিং | পিএমজিএছৱাই / গড়কাপ্তানি বিভাগ |
| ২ | স্বাস্থ্য কেন্দ্ৰ | গাঁৱৰ ভিতৰত উপকেন্দ্ৰ | এনএইচএম/এইচ এণ্ড এফ ডব্লিউ |
| ৩ | পশু চিকিৎসা কেন্দ্ৰ | এ আই ব্যৱস্থা | চৰকাৰী বিভাগ |
| ৪ | খোৱাপানী | কমেও চাৰিটা কুঁৱা | ইপিএএপিএফবিচি/ এনআৰডিডব্লিউপি |
| ৫ | জলসিঞ্চন | নলা ব্যৱস্থা | জলসিঞ্চন বিভাগ |

**জীৱিকাৰ সুবিধাসমূহ**

জীৱিকাৰ সুবিধাসমূহ তলত উল্লেখ কৰা হ'ল ঃ

গাঁওবাসীৰ বৰ্তমান জীৱিকাৰ প্ৰতি লক্ষ্য ৰাখি দক্ষতাৰ প্ৰয়োজনীয়তাৰ মূল্যায়ণ/ জে এফ এম চি-ৰ দক্ষতাৰ অগ্ৰাধিকাৰ বিশ্লেষণ কৰা হৈছে। শ্ৰেণীবদ্ধকৰণৰ জৰিয়তে কৃষিখণ্ড আৰু কৃষি। বৰ্হিভূত খণ্ড বিভাজিত কৰা হৈছে। দক্ষতা উন্নয়ন কৰ্মসূচীৰ ক্ষেত্ৰত অগ্ৰাধিকাৰৰ প্ৰতি সঁহাৰি তলৰ তালিকাত উল্লেখ কৰা হ'ল।

**তালিকা-১ ঃ জীৱিকাৰ সুযোগ-সুবিধাৰ স্থানাংক**

| প্ৰশিক্ষণ কৰ্মসূচীৰ প্ৰকাৰ | পছন্দৰ উপায়ত চিন দিয়া | | | | |
|---|---|---|---|---|---|
| | ১ | ২ | ৩ | ৪ | ৫ |
| * পশুধন | ১ | — | — | — | — |
| * বয়ন হস্ততাঁত সম্পৰ্কীয় | — | — | — | ৪ | — |
| * খাদ্য প্ৰক্ৰিয়াকৰণ | — | ২ | — | — | — |
| * বিউটিচিয়ান (প্ৰসাধক) | — | — | — | ৪ | — |
| * ৰেচম উদ্যোগ | — | — | — | ৪ | — |
| * কেঁচুসাৰ | ১ | — | — | — | — |
| * কাঠফুলা খেতি | — | — | — | — | ৫ |

**উৎস ঃ** পি আৰ এ

পি আৰ এ-ৰ অনুশীলনৰ সময়ত পশুধনৰ ওপৰত অগ্ৰাধিকাৰ দেখা গৈছে, দ্বিতীয়তে তেওঁলোকে বয়ন আৰু খাদ্য প্ৰক্ৰিয়াকৰণ কৰ্মসূচীৰ ওপৰত সৰ্বাধিক অগ্ৰাধিকাৰ দিছে। ইয়াৰ কাৰণ জে এফ এম চি এলেকাত এবিোৰ সম্পদ পৰ্যাপ্ত আছে। তেওঁলোকে প্ৰসাধক আৰু ৰেচম উদ্যোগৰ ওপৰতো অগ্ৰাধিকাৰ দিছে। ভাৰ্মি কম্পোজ আৰু কাঠফুলা খেতিৰ কামত কম গুৰুত্ব দিয়া দেখা গৈছে।

| | |
|---|---|
| **কৃষি আৰু উদ্যানশস্য** | কৃষি আৰু উদ্যানশস্যৰ ক্ষেত্ৰত সুযোগসমূহৰ বিষয় **নথি ঃ ২ৰ তালিকা ঃ ১২ত** দেখা যাব।<br>প্ৰধান বাধাবোৰ হৈছে ঃ<br>(ক) সাৰ, কীটনাশক-পতংগনাশক দৰৱৰ অতি কম ব্যৱহাৰ।<br>(খ) কৃষি আন্তঃগাঁথনি, পাৱাৰটিলাৰ, ট্ৰেক্টৰ আদিৰ দৰে আধুনিক যন্ত্ৰপাতি-সা-সুঁজলিৰ অভাৱ।<br>(গ) অধিক উৎপাদনশীল বীজ আদি ব্যৱহাৰ নকৰা<br>সুযোগসমূহ<br>ক) যথোপযুক্ত আৰু নিয়ন্ত্ৰিতভাৱে কীটনাশক আৰু পতংগনাশক দৰৱৰ প্ৰয়োগ।<br>খ) নতুন আৰু অত্যাধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ।<br>গ) সু-সংগঠিত প্ৰশিক্ষণ কৰ্মসূচী। খেতি কামৰ দক্ষতা গাঁওবাসীয়ে পৰম্পৰাগতভাৱে আহৰণ কৰিছে। তেওঁলোকৰ সকলোৰে দক্ষতাৰ পৰ্যায় উন্নত কৰা দৰকাৰ।<br>পৰামৰ্শমূলক কৰ্মসূচীসমূহ হৈছে ঃ<br>* ট্ৰেক্টৰ চলোৱাৰ প্ৰশিক্ষণ<br>* কৃষি-দক্ষতা উন্নয়ন কৰ্মসূচী<br>* কীটনাশক, পতংগনাশক, সংকৰ প্ৰজাতিৰ শস্যৰ খেতি আদি সম্পৰ্কে প্ৰশিক্ষণ |
| **পশুধন** | পশুধন পালন-প্ৰজননৰ সুযোগ সম্পৰ্কে অধিক তথ্য **নথি**-২ৰ **তালিকা-১৩**ত দিয়া হৈছে।<br>প্ৰধান বাধাবোৰ হৈছে ঃ<br>ক) শোচনীয় বিত্তীয় অৱস্থাৰ কাৰণে বজাৰৰ পৰা পশুখাদ্য ক্ৰয় কৰাৰ অক্ষমতা।<br>খ) গছৰ পাত আদি পশুখাদ্য, শস্যৰ অৱশিষ্টাংশ মাত্ৰ ৩-৬ মাহৰ বাবে চলে। গোটেই বছৰজুৰি সেউজ খাদ্য পৰ্যাপ্ত নহয়।<br>গ) পশু চিকিৎসালয় নাই।<br>ঘ) পশুপালন সম্পৰ্কে উপযুক্ত জ্ঞানৰ অভাৱ।<br>সুযোগসমূহ হৈছে ঃ<br>ক) পশুপালনৰ জৰিয়তে অধিক উপাৰ্জন।<br>খ) তিনিচুকীয়া জিলা সদৰত গাখীৰৰ বজাৰত বিপুল চাহিদা।<br>পৰামৰ্শমূলক কৰ্মসূচীসমূহ হৈছে ঃ<br>ক) গাহৰি পালন<br>খ) হাঁহ-কুকুৰা পালন |
| **কাঠ ভিন্ন বন উৎপাদন (এন ডব্লিউ এফ পি)** | এন ডব্লিউ এফ পিৰ সুবিধাৰসমূহ **তথ্য-২**ৰ **তালিকা-১৪**ত প্ৰদান কৰা হৈছে।<br>প্ৰধান বাধাসমূহ হৈছে ঃ<br>ক) এন ডব্লিউ এফ পি-ৰ কম উপলব্ধতা।<br>খ) কাৰিকৰী জ্ঞান নাই<br>গ) প্ৰক্ৰিয়াকৰণ ইউনিট নাই।<br>সুবিধাসমূহ হ'ল —<br>ক) সাৰুৱা পতিত মাটিৰ পৰ্যাপ্ততা।<br>পৰামৰ্শমূলক কাৰ্যসূচীসমূহ হ'ল—<br>ক) খাদ্য উদ্ভিদৰ খেতি।<br>খ) ভেষজ উদ্ভিদ আদি। |

| | |
|---|---|
| **বিশেষীকৃত দক্ষতা** | দক্ষতা উন্নয়ন আৰু ইয়াৰ সুযোগ সম্পৰ্কীয় তথ্য **নথি-২**ৰ **তালিকা-১৫**তদিয়া হৈছে।<br>প্ৰধান বাধাসমূহ হৈছে ঃ<br>* বিবিধ প্ৰকাৰৰ উৎপাদনৰ অভাৱ।<br>* উৎপাদিত সামগ্ৰীৰ গুণগত মান সম্পৰ্কে গৱেষণাৰ অভাৱ।<br>* টি কিউ এম কলা-কৌশলৰ অভাৱ।<br>সুবিধাসমূহ হ'ল —<br>* ভাল যোগাযোগ ব্যৱস্থা প্ৰদান<br>* দক্ষতা আহৰণকাৰীৰ প্ৰশিক্ষণ<br>* চৰকাৰৰ তৰফৰ পৰা বিত্তীয় সাহায্য<br>পৰামৰ্শমূলক কাৰ্যসূচীসমূহ হ'ল—<br>* আধুনিক যন্ত্ৰপাতি আৰু সা-সজুঁলিৰ ব্যৱহাৰ সম্পৰ্কে প্ৰশিক্ষণ<br>* গাঁওবাসীক আধুনিক প্ৰযুক্তি প্ৰদান<br>* কেঁচামালৰ ভঁৰাল স্থাপন<br>* প্ৰাতিষ্ঠানিক ক্ৰেতাৰ সৈতে উৎপাদিত সামগ্ৰী বৃহৎ পৰিমাণে ক্ৰয়ৰ ব্যৱস্থা প্ৰদান। |
| **ঋণৰ সুবিধা** | এই সন্দৰ্ভত **নথি-২**ৰ **তালিকা-১৬**ত আলোচনা কৰা হৈছে।<br>প্ৰধান বাধাসমূহ আৰু ইয়াৰ কাৰণবোৰ হৈছে ঃ<br>* বিত্তীয় অন্তৰ্ভুক্তিৰ বাহিৰত<br>* বেচৰকাৰী ঋণদাতাসকলৰ দ্বাৰা উচ্চ হাৰত সুদ ধাৰ্য কৰা।<br>সুযোগসমূহ হৈছে ঃ<br>* আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন<br>* পৰ্যাপ্ত সজাগতা<br>পৰামৰ্শমূলক কৰ্মসূচী হৈছে ঃ<br>* নিকটৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন |
| **কৌশলগত হস্তক্ষেপ** | ওপৰত পৰামৰ্শ হিচাপে আগবঢ়োৱা কৰ্মসূচীসমূহৰ ভিত্তিত নিম্নোক্ত বিষয়সমূহক জীৱিকা উন্নয়ন পৰিকল্পনাৰ বাবে কৌশলগত হস্তক্ষেপ হিচাপে গণ্য কৰিব পাৰি ঃ<br>১) **কৃষি আৰু উদ্যানশস্য ঃ** ট্ৰেক্টৰ চলোৱাৰ প্ৰশিক্ষণ, কৃষি দক্ষতা উন্নয়ন কাৰ্যসূচী, কীটনাশক, সংকৰ প্ৰজাতিৰ শস্যৰ খেতি সম্পৰ্কে প্ৰশিক্ষণ।<br>২) **পশুপালন ঃ** গাহৰি পালন, হাঁহ-কুকুৰা পালন।<br>৩) **এন ডব্লিউ এফ পি ঃ** খাদ্য উদ্ভিদৰ খেতি, ভেষজ উদ্ভিদ আদি।<br>৪) **বিশেষ দক্ষতা ঃ** আধুনিক যন্ত্ৰপাতি আৰু সা-সঁজুলি সম্পৰ্কে প্ৰশিক্ষণ, গাঁওবাসীক আধুনিকপ্ৰযুক্তি প্ৰদান, দক্ষতা উন্নয়ন আৰু নতুন সামগ্ৰী উৎপাদন আৰু বিবিধ প্ৰকাৰ সামগ্ৰী উৎপাদন সম্পৰ্কে প্ৰশিক্ষণ, কেঁচামালৰ ভঁৰাল স্থাপন, প্ৰাতিষ্ঠানিক ক্ৰেতাৰ সৈতে উৎপাদিত সামগ্ৰী বৃহৎ পৰিমাণে ক্ৰয়ৰ ব্যৱস্থা গ্ৰহণ।<br>৫) **ঋণ সুবিধা ঃ** নিকটৱৰ্তী এলেকাত আধুনিক বিত্তীয় প্ৰতিষ্ঠান স্থাপন। |

| | |
|---|---|
| **জীবিকাৰ সুযোগ বিশ্লেষণ** | নিম্নোক্ত বিষয়সমূহৰ সাহায্যত জীৱিকাৰ সুযোগ বিশ্লেষণৰ ৰূপৰেখা তৈয়াৰ কৰা হৈছে ঃ<br>* জীবিকা সম্পদ<br>* জীবিকা পৰিপ্ৰেক্ষিত<br>* সম্ভাব্য জীৱিকাৰ সন্দৰ্ভত অগ্ৰাধিকাৰ স্থানাংক<br>পি আৰ এ অনুশীলনৰ সময়ত ডি এফ ডি আই-ৰ (ডিপাৰ্টমেণ্ট অব্ ইণ্টাৰনেচনেল ডেভেলপমেণ্ট) স্থিতিশীল জীৱিকা নিৰ্দেশিকা ব্যৱহাৰ কৰি নামহোলুং জে এফ এম চিৰ জীৱিকা পৰিস্থিতি বিশ্লেষণ কৰা হৈছে। নিম্নোক্ত ভিত্তিত জে এফ এম চি-ৰ বৰ্তমান জীৱিকা পৰিস্থিতিৰ ৰূপৰেখা তৈয়াৰ কৰা হৈছে—<br>১) প্ৰাকৃতিক মূলধন<br>২) বস্তুগত মূলধন<br>৩) সামাজিক মূলধন<br>৪) মানৱ সম্পদ<br>৫) বিত্তীয় মূলধন |
| | **১) প্ৰাকৃতিক মূলধন ঃ**<br>প্ৰকল্প এলেকা জৈৱিক বৈচিত্ৰ্যৰ কাৰণে বিখ্যাত। মূল প্ৰাকৃতিক সম্পদবোৰ হৈছে হলখ, গমাৰি, তিতাচপা, নাহৰ, বনছাম, বগীপোমা, বোলা আদিৰ দৰে গছ। এইবোৰ উচ্চ মূল্যৰ গছ। আৰু কাঠখৰিৰ বাবে এইবোৰৰ সংগ্ৰহ, জুম খেতি, কাঠ সংগ্ৰহ (স্থানীয় উপভোগৰ) কাৰণে বা চহৰাঞ্চলৰ কেন্দ্ৰবোৰত বিক্ৰীৰ বাবে) আদিৰ ফলত বন ধ্বংস হৈছে আৰু এয়া পোনপটীয়াভাৱে গ্ৰামীণ জীৱিকা ৰণকৌশলৰ সৈতে যুক্ত।<br>এয়া প্ৰকল্প এলেকাত প্ৰাকৃতিক সম্পদৰ ওপৰত বহল ভিত্তিক নিৰ্ভৰতা। প্ৰাকৃতিক সম্পদ সংগ্ৰহৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত আমি কোনো পাৰ্থক্য নিৰ্ণয়ৰ আশা আগবঢ়োৱা নাই। বিকল্প ব্যৱস্থা প্ৰদান কৰা দৰকাৰ, যেনে ৰন্ধনৰ বাবে এল পি জিৰ সংযোগ প্ৰদান। এই ব্যৱস্থাই বনাঞ্চলৰ ওপৰত নিৰ্ভৰতা হ্ৰাস কৰিব। প্ৰকল্প এলেকাত প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ কাৰণে এই একে উদ্দেশ্যে জীৱিকাৰ অন্যান্য উপায় গঢ়ি তুলিব লাগিব।<br>**২। বস্তুগত মূলধন ঃ**<br>জনসাধাৰণৰ জীয়াই থকাৰ বাবে প্ৰয়োজনীয় মৌলিক আন্তঃগাঁথনি আৰু লগতে তেওঁলোকে ব্যৱহাৰ কৰা যন্ত্ৰপাতি আৰু সা-সজুঁলিসমূহেই হৈছে বস্তুগত মূলধন। উদাহৰণ হিচাপে ক'ব পাৰি— পৰিবহণ আৰু যোগাযোগ ব্যৱস্থা, আশ্ৰয়, পানী আৰু অনাময় ব্যৱস্থা আৰু শক্তি হৈছে এই মূলধন। প্ৰকল্প এলেকাত বস্তুগত মূলধনৰ পৰ্যাপ্ততা লক্ষ্য কৰিবলৈ গৈ আমি দেখিছো, পৰিস্থিতি অত্যন্ত শোচনীয়। ভাল পথ নাই, পৰিবহণ আৰু যোগাযোগ ব্যৱস্থা অত্যন্ত দুৰ্বল, পানী আৰু অনাময় ব্যৱস্থা পৰ্যাপ্ত নহয় আৰু বিদ্যুতৰ সুবিধাও নাই।<br>প্ৰকল্প এলেকাত জীৱনযাত্ৰা উন্নত কৰিবলৈ জে এফ এম চি এলেকাত পথ, পানী আৰু অনাময় ব্যৱস্থা আৰু বিদ্যুতৰ বিকল্প সৌৰ পোহৰৰ ব্যৱস্থা প্ৰদানৰ জৰিয়তে বস্তুগত আন্তঃগাঁথনি উন্নত কৰাৰ ওপৰত গুৰুত্ব দিব লাগিব।<br>**৩) সামাজিক মূলধন ঃ**<br>বিভিন্ন গোষ্ঠীৰ উন্নত কাম-কাজ, উদ্যমিতা প্ৰতিষ্ঠানসমূহৰ বৃদ্ধি, উন্নততৰ ব্যৱস্থাপনাৰ প্ৰদৰ্শন, যোগান শৃংখল উন্নত কৰা, কৌশলগত জোঁটৰ জৰিয়তে মূল্য আহৰণ আৰু |

| | |
|---|---|
| | সম্প্ৰদায়সমূহৰ বিৱৰ্তন ব্যাখ্যা কৰাৰ বাবে সামাজিক মূলধন ব্যৱহাৰ কৰা হয়।<br>প্ৰকল্প এলেকাত কেৱল সীমিত সংখ্যক আত্মসহায়ক গোট আছে। এই ক্ষেত্ৰত এলেকাৰ জীৱিকাৰ সুযোগসমূহৰ উন্নততৰ প্ৰদৰ্শনৰ বাবে আত্মসহায়ক গোটবোৰক শক্তিশালী কৰা, গ্ৰামীণ কমিউনিটি গঠন আৰু সমবায় সমিতি গঠন কৰাটো দৰকাৰ।<br>তদুপৰি দেখা গৈছে যে জনসাধাৰণলৈ চৰকাৰী আঁচনিৰ সুবিধা প্ৰদান অত্যন্ত কম। এলেকাত চৰকাৰী আঁচনিসমূহ এতিয়াও উপলব্ধ হোৱা নাই।<br>**৪) মানৱ সম্পদ ঃ**<br>প্ৰকল্প এলেকাত মানৱ সম্পদৰ ক্ষেত্ৰত দেখা গৈছে, জনসাধাৰণ কৃষি খণ্ডত পৰম্পৰাগতভাৱে দক্ষ। চৰিত্ৰগতভাৱে সকলো পৰিয়াল খেতিয়ক বুলি জানিব পৰা গৈছে আৰু স্বনিৰ্ভৰতাৰ বাবে জীৱন ধাৰণ কৰিবলৈ কৃষিকেই গ্ৰহণ কৰিছে। খেতিয়কসকলে তেওঁলোক আৰু পৰিয়ালৰ আহাৰ জোগাবলৈ পৰ্যাপ্ত খাদ্য উৎপাদনত গুৰুত্ব দিয়ে। উৎপাদিত শস্যৰ ঘাইকৈ স্থানীয় চাহিদা পূৰণ হয় আৰু উদ্বৃত্ত সামান্য বা বাণিজ্যৰ বাবে উদ্বৃত্ত নাথাকেই।<br>অথচ সমীক্ষাত দেখা গৈছে এলেকাত ৰেচম উদ্যোগ, বয়ন আৰু বাঁহ আৰু বেতৰ শিল্পৰ বিপুল সম্ভাৱনা আছে।<br>প্ৰকল্প এলেকাত দেখা গৈছে, অধিকাংশ পৰিয়ালৰ ২-১০ হেক্টৰলৈকে মাটি আছে। ভূমি মালিকানা আৰু জীৱিকা কৌশলৰ সম্পৰ্কৰ ফালৰ পৰা দেখা গৈছে, এক বিশেষ শ্ৰেণী বা স্তৰৰ পিছত বৃহৎ ভূমি মালিকানা সত্বেও উপাৰ্জন অধিক নহয়। বৃহৎ ভূমি মালিকানাই ভূমিৰ পৰা হোৱা উচ্চতৰ আয়ৰ (নগদ ধন বা খাদ্য) দিশৰ পৰা ভূমিৰ ওপৰত অধিকতৰ নিৰ্ভৰশীল কৰি তোলা হৈছে।<br>এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত বাঁহ আৰু বেতৰ কাম, চিলাই কাম, অন্যান্য কৃষি বহিৰ্ভূত কাম-কাজ আদিৰ দক্ষতা গঢ়ি তোলা দৰকাৰ যাতে জীৱিকাৰ উপায় হিচাপে পৰিয়ালসমূহে এইবোৰ গ্ৰহণ কৰিব পাৰে।<br>স্থিতিশীল জীৱিকা হৈছে জনসাধাৰণৰ বাবে অন্যান্যসকলৰ জীৱিকাৰ উপায়বোৰক বিপন্ন নকৰাকৈ তেওঁলোকৰ জীৱনযাত্ৰা স্বাচ্ছন্দ্য আৰু মান উন্নত কৰাৰ সক্ষমতা। এই লক্ষ্য অৰ্জনত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। দাৰিদ্ৰ্য দূৰীকৰণ আৰু সামাজিক সবলীকৰণৰ কাৰণে জনসাধাৰণৰ সকলোৰে বাবে শিক্ষাৰ সুযোগৰ ব্যৱস্থা থাকিব লাগিব।<br>প্ৰকল্প এলেকাত দেখা গৈছে, উচ্চ শিক্ষা লাভৰ কোনো সুবিধা নাই। দুৰ্বলসকলক উদ্যমিতা আৰু তৎসম্পৰ্কীয় সাক্ষৰতা দক্ষতাৰে প্ৰশিক্ষিত কৰিবলৈ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক উভয় ধৰণৰ শিক্ষাই এলেকাত প্ৰদান কৰা দৰকাৰ।<br>সফল সমাজৰ বাবে তথ্যৰ উৎস সদায়েই এক উপাদান। সম্ভৱতঃ তথ্য প্ৰাপ্তিৰ অবাৰেই হৈছে বনাঞ্চল এলেকা অনগ্ৰসৰ হৈ থকাৰ কাৰণ। প্ৰকল্প এলেকাত এই ধৰণৰ কোনো মাধ্যম (কেৱল ৰেডিঅ') নাই। জনসাধাৰণক তথ্য যোগান দিয়াৰ ক্ষেত্ৰত বন বিভাগৰ কাৰ্যালয়ৰো অবহেলা আছে। তথ্যৰ উৎস এক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে যাৰ জৰিয়তে জনসাধাৰণ বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰা উন্নততৰ জীৱন যাত্ৰাৰ সুযোগৰ জৰিয়তে আধুনিক সমাজৰ সৈতে প্ৰতিযোগিতা কৰাত বৰ্তমানৰ উপযোগী হ'ব পাৰে।<br>এটা সম্প্ৰদায়ৰ সংস্কৃতি আৰু ঐতিহ্যই সেই সম্প্ৰদায়ৰ সভ্যতাক প্ৰদৰ্শন কৰে। প্ৰকল্প এলেকা অত্যন্ত সংস্কৃতিবান আৰু তেওঁলোকৰ পৰম্পৰাগত জীৱনযাত্ৰাই |

| | |
|---|---|
| | এলেকাত পৰ্যটনৰ বিপুল সম্ভাৱনাক কঢ়িয়াই আনিছে।<br>প্ৰকল্প এলেকাত পুৰুষসকল ঘাইকৈ কৃষি কামত যেনে হালবোৱা, বীজ সিঁচা, অপতৃণ ছাফাইষ কৃষি সংশ্লিষ্ট অন্যান্য কাম আৰু খতি চপোৱা কামত জড়িত। আনহাতে মহিলাসকল ৰন্ধাবঢ়া, শিশুৰ যত্ন লোৱা, পশুপালন আদি কামজত জড়িত। দৈনন্দিন জীৱনত তেওঁলোকৰ দক্ষতাৰ ভিত্তিত কেনেকৈ মূল্য সংযোজন কৰিব পাৰে সেয়া লিংগ অংশগ্ৰহণৰ বিশ্লেষণ কৰি চোৱাটো গুৰুত্বপূৰ্ণ।<br>মানৱ সম্পদৰ বিশ্লেষণত প্ৰব্ৰজন হৈছে এক গুৰুত্বপূৰ্ণ বিষয়। বহিৰ্প্ৰব্ৰজন আৰু অন্তঃপ্ৰব্ৰজন উন্নত জীৱিকাৰ সুযোগৰ পৰ্যাপ্ততাৰ কাৰণেই ঘটে। প্ৰকল্প এলেকাত পি আৰ এ অনুশীলনৰ সময়ত দেখা গৈছে, কোনো ধৰণৰ বহিৰ্প্ৰব্ৰজন বা অন্তঃপ্ৰব্ৰজন ঘটা নাই। ইয়াৰ কাৰণ হৈছে, এলেকাত উচ্চ শিক্ষিত লোকৰ সংখ্যা কম। প্ৰব্ৰজনৰ ক্ষেত্ৰত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উচ্চ শিক্ষাই প্ৰব্ৰজন বঢ়ায়, কাৰণ লোক উন্নত জীৱিকাৰ উপায়ৰ বাবে বাহিৰলৈ যাবলৈ ইচ্ছুক। প্ৰকল্প এলেকাত এঠাইৰ পৰা আন ঠাইলৈ প্ৰব্ৰজন অতি কম দেখা পোৱাৰ কাৰণ হৈছে এই নিৰ্দিষ্ট প্ৰব্ৰজনৰ ক্ষেত্ৰত পৰিয়ালৰ আকাৰো অত্যন্ত সীমিত।<br>**৫। বিত্তীয় মূলধন ঃ**<br>অৰ্থনৈতিক আৰু বিত্তীয় মূলধনে মূলধন ভিত্তিক দৰ্শায় (নগদ, ঋণ [মৌলিক/ডেট্], সঞ্চয়, অন্যান্য অৰ্থনৈতিক সম্পদ, লগতে মৌলিক আন্তঃগাঁথনি, উৎপাদনৰ সা-সঁজুলি আৰু প্ৰযুক্তি) যিবোৰ যিকোনো জীৱিকা কৌশলৰ অন্বেষণৰ বাবে অপৰিহায্য।<br>দেখা গৈছে, প্ৰকল্প এলেকাত কেৱল অত্যন্ত সীমিত সংখ্যক লোকৰহে (মুঠ পৰিয়ালৰ মাত্ৰ ২ শতাংশ) বেংক একাউণ্ট আছে। অন্যান্য সুবিধা যেনে স্বাস্থ্য বীমা, শস্য বীমা, বেংক ঋণ, ক্ষুদ্ৰ বিনিয়োগ প্ৰতিষ্ঠাৰ পৰা ঋণ আদি নাই।<br>এইক্ষেত্ৰত এলেকাত বেংক একাউণ্ট, স্বাস্থ্য বীমা, শস্য বীমা, বেংক ঋণ, এলেকাৰ জীৱনযাত্ৰাৰ ছবিখন উন্নত কৰাৰ কাৰণে ক্ষুদ্ৰ বিনিয়োগ সংস্থাৰ পৰা ঋণ আদি প্ৰদানৰ জৰিয়তে অৰ্থনৈতিক আৰু বিত্তীয় মূলধন উন্নত কৰাটো দৰকাৰ। |
| **জীৱিকা প্ৰসংগ** | তলত উল্লেখ কৰা মানৰ ভিত্তিত নামহোলুং জে এফ এম চিৰ জীৱিকাৰ কাম-কাজবোৰ চিহ্নিত কৰা হৈছে ঃ<br>* জে এফ এম চি-ৰ মুঠ উপাৰ্জনত নিৰ্দিষ্ট জীৱিকাৰ কাম-কাজৰ জৰিয়তে যোগোৱা অৱদান।<br>* জীৱিকাৰ নিৰ্দিষ্ট কামত জড়িত উপাৰ্জনকাৰী গোটৰ শতাংশ হাৰ<br>* সম্ভাৱনাময় জীৱিকাৰ উপায়ৰ অগ্ৰাধিকাৰ স্থানাংক। |

## ৪। জীৱিকা উন্নয়ন পৰিকল্পনা

| | |
|---|---|
| **উপাৰ্জন বৃদ্ধিৰ কাম-কাজ** | গাঁৱৰ পৰিকল্পনা কৰা মূল উপাৰ্জন সৃষ্টি কাম-কাজবোৰ হ'ল ঃ<br>**কৃষিখণ্ড ঃ**<br>* ১ হাঁহ-কুকুৰা পালন আৰু গাহৰি পালন<br>* ধানৰ খেতি<br>* ৩ উদ্যান শস্য (চাহ)<br>**কৃষি বহিৰ্ভূত খণ্ড ঃ**<br>* ১ হস্ততাঁত / বয়ন<br>* চিলাই কাম আৰু এমব্ৰয়ডেৰি |
| **আত্মসহায়ক গোটৰ কাৰ্যকলাপ** | গাঁৱৰ আত্মসহায়ক গোটসমূহে তলৰ কাৰ্যসূচীসমূহ পৰিকল্পনা কৰিব পাৰে ঃ<br>১) সজাগতা সৃষ্টি<br>২) গোট গঠন আৰু সংগঠিতচ কৰা<br>৩) সমূহীয়াভাৱে জীৱিকাৰ কাম-কাজত গাঁওবাসীক চামিলকৰণ |
| **শিক্ষাৰ উদ্দেশ্যে ভ্ৰমণ** | নিম্নোক্ত শিক্ষামূলক ভ্ৰমণৰ পৰিকল্পনা কৰা হৈছে ঃ<br>১) নেচনেল হেণ্ডলুম ইনষ্টিটিউটলৈ শিক্ষামূলক ভ্ৰমণ<br>২) কৃষি বিশ্ববিদ্যালয়লৈ শিক্ষামূলক ভ্ৰমণ |
| **কৰ্মসূচীৰ সাৰাংশ** | পৰৱৰ্তী পৃষ্ঠাত সংযোগ কৰা হৈছে। |
| **সংপৃক্তকৰণ** | ভাৰত চৰকাৰৰ তলৰ আঁচনিসমূহৰ সৈতে পৰিকল্পনা কৰা কাৰ্যব্যৱস্থাসমূহ সংপৃক্ত কৰিব পাৰি ঃ<br>ক) ৰাষ্ট্ৰীয় গ্ৰাম নিয়োগ নিশ্চিতকৰণ আঁচনি (National Rural Employment Guarantee Scheme) — গ্ৰাম্য নিয়োগৰ কাৰণে<br>খ) ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (Rashtriya Krishi Vikas Yojana) — কৃষি আৰু সংলগ্ন ক্ষেত্ৰৰ বিকাশৰ বাবে।<br>গ) ৰাষ্ট্ৰীয় কৃষি সিঞ্চয় যোজনা (Rashtriya Krishi Sinchay Yojana) — পানীৰ উৎস উন্নয়ন সহিতে জলসিঞ্চনৰ কাৰণে<br>ঘ) ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান (National Rural Livelihoods Mission)<br>ঙ) দক্ষতা বিকাশ আঁচনি (Skills Development Programme)<br>চ) গ্ৰামোন্নয়ন আৰু জীৱিকাৰ বাবে পোৱা উপযোগী অন্যান্য আঁচনি।<br>উপৰোক্ত সংপৃক্তকৰণে বৰ্তমানৰ পৰিকল্পনাসমূহ সফল কৰি তোলাৰ লগতে এই পৰিকল্পনাৰ কৰ্মসূচী ৰূপায়ণত পৰৱৰ্তী কালতো সহায় কৰিব। |

## ৫। নামহোলুং জে এফ এম চি-ৰ কৰ্ম আঁচনি

| ক্রমিক নং | কাম-কাজ | সংখ্যা | পদ্ধতি | পৰিমাণ (টকাত) |
|---|---|---|---|---|
| **ক)** | **অংশগ্ৰহণমূলক ক্ষুদ্ৰ পৰিকল্পনা** | | | |
| ১ | ক্ষুদ্ৰ পৰিকল্পনাৰ প্ৰস্তুতি | ১ | পি আৰ এ বেছলাইন সমীক্ষা | ১,০০,০০০.০০ |
| | মুঠ | | | ১,০০,০০০.০০ |
| **খ)** | **উৎপাদক সংগঠিত কৰা আৰু উদ্যমিতা আৰু কাৰিকৰী সামৰ্থ নিৰ্মাণ (সামৰ্থ নিৰ্মাণ)** | | | |
| ১ | সজাগতা গঢ়ি তোলাৰ কৰ্মসূচী | ১ | সজাগতা কৰ্মসূচী | ২০,০০০.০০ |
| খ. ১ | দক্ষতা উন্নয়ন প্ৰশিক্ষণ | | | |
| ১ | পশুধন পালন আৰু বয়ন সম্পৰ্কে প্ৰশিক্ষণ কৰ্মসূচী | ১ | প্ৰশিক্ষণ দিয়া | ২,০০,০০০.০০ |
| ২ | বয়ন সম্পৰ্কে দক্ষতা উন্নয়ন প্ৰশিক্ষণ কৰ্মসূচী | ১ | দক্ষতা উন্নয়ন প্ৰশিক্ষণ কৰ্মসূচী কাৰ্যকৰী কৰা (৪০ দিন) | ২,০০,০০০.০০ |
| ৩ | ক্ষুদ্ৰ উদ্যোগী প্ৰতিষ্ঠান প্ৰশিক্ষণ | ১ | ৩ দিন উদ্যমিতা দিক নিৰ্ণয় কৰ্মসূচী | ৫০,০০০.০০ |
| | মুঠ | | | ৪,৭০,০০০.০০ |
| **গ)** | **সামাজিক সমাৱেশকৰণ** | | | |
| ১ | সমূহীয়া গোট (অৰ্থাৎ আত্মসহায়ক গোট, সমিতি, বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা, সংগঠন উৎপাদক কোম্পানী) সম্পৰ্কে সজাগতা সৃষ্টি শিবিৰ | | সমবায় বিশেষজ্ঞৰ জৰিয়তে সমূহীয়া গোট গঠন সম্পৰ্কে ৪ দিনৰ সজাগতা সৃষ্টিৰ শিবিৰ | ৫০,০০০.০০ |
| ২ | স্ব-নিয়োজন আৰু নিযুক্তিৰ বাবে সংযোগ গঢ়ি তোলা তথা হাতে-কলমে সহায় | | ২০১৭ মাৰ্চলৈকে চি এম এল বিশেষজ্ঞৰ জৰিয়তে গোটেই বছৰজুৰি হাতে হাতে সহায় | ৫০,০০০.০০ |
| | মুঠ | | | ১,০০,০০০.০০ |
| **ঘ)** | **মূল্যশৃংখল উন্নতকৰণ** | | | |
| গ. ১ | সজাগতা গঢ়ি তোলাৰ কৰ্মসূচী | | | |
| ১ | ৰেডিমেড পোছাকৰ মূল্য শৃংখল উন্নতকৰণ | ১ | ডিজাইনৰ বিবিধ কৰণ সম্পৰ্কে ১০ দিনৰ প্ৰশিক্ষণ | ৫০,০০০.০০ |
| গ. ৩ | আধুনিক সঁজুলিৰ যোগান | | | |

| | | | | |
|---|---|---|---|---|
| | বয়নৰ আধুনিক সঁজুলি যোগান | ৭ | আধুনিক সঁজুলি যোগান | ১,৫০,০০০.০০ |
| | পশুধনৰ বাবে বাচন | ১৫ | স্পিনিং মেচিন যোগান | ৭০,০০০.০০ |
| গ. ৪ | উন্নত উৎপাদন আৰু প্ৰক্ৰিয়াকৰণ সামৰ্থ | | | ১,৩০,০০০.০০ |
| | মুঠ | | | ৪,০০,০০০.০০ |
| **ঙ)** | **বজাৰত প্ৰৱেশৰ বাবে সহায় সমৰ্থন** | | | |
| ঘ. ১ | প্ৰাতিষ্ঠানিক ক্ৰেতা আৰু/অথবা চৰকাৰী সংস্থাৰ সৈতে সংযোগ (গোটেই বছৰ ধৰি) | ২ | ক্ৰেতা আৰু বিক্ৰেতাৰ আদান-প্ৰদানৰ বাবে প্লেটফৰ্ম সৃষ্টি (২ দিন) | ৮০,০০০.০০ |
| ঘ. ২ | বন বজাৰ স্থাপন | গোটেই বছৰ জুৰি | বন বজাৰৰ জৰিয়তে সংযোগ | ১,০০,০০০.০০ |
| ঘ. ৩ | প্ৰদৰ্শনী অংশগ্ৰহণ | ১ | বন বিভাগৰ জৰিয়তে এটা প্ৰদৰ্শনীত অংশগ্ৰহণ | ১,২০,০০০.০০ |
| ঘ. ৪ | অন্যান্য ভৌগোলিক বজাৰত প্ৰৱেশ | ১ | শিক্ষামূলক ভ্ৰমণ | ১,২০,০০০.০০ |
| ঘ. ৫ | ই-পোৰ্টেল, পুস্তিকা, কেটেলগ আদিৰ জৰিয়তে প্ৰচাৰ | ১ | বজাৰ বিশেষজ্ঞৰ দ্বাৰা গ্ৰহণ কৰা ২ দিনৰ প্ৰশিক্ষণ আৰু সজাগতা কৰ্মসূচী | ৬০,০০০.০০ |
| | মুঠ | | | ৪,৮০,০০০.০০ |
| | **সৰ্বমুঠ** | | | **১৫,৫০,০০০.০০** |

## ৫। বনোন্নয়ন পৰিকল্পনা

নামহুলুং জে এফ এম চি-ৰ ক্ষুদ্ৰ পৰিকল্পনাৰ অংশ হিচাপে গাঁও অঞ্চলত বনোন্নয়ন পৰিকল্পনা বিস্তৃত পি আৰ এ অনুশীলনৰ পিছত প্ৰস্তুত কৰা হৈছে। এই পৰিকল্পনাৰ উদ্দেশ্যসমূহ হ'ল জৈৱ বৈচিত্ৰ্য সংৰক্ষণ, পাৰিৱেশিক কাৰ্যসূচী আৰু জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলত উৎপাদন সক্ষমতা; এক বহনক্ষম ব্যৱস্থাৰে সম্প্ৰদায়ৰ ব্যৱহাৰ আৰু জীৱন ধাৰণৰ প্ৰয়োজনীয়তাসমূহ লাভ কৰা।

### ১। জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা

নামহুলুং জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহৰ বাবে এই ক্ষুদ্ৰ পৰিকল্পনাই তলৰ বিভাগসমূহ বিবেচনা কৰিছে।

ক) বন বিভাগৰ দ্বাৰা ন্যস্ত কৰা জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলসমূহ আৰু

খ) বৃক্ষৰোপিত এলেকা/ৰোপণৰ বাবে নিৰ্ধাৰিতক সম্প্ৰদায়ৰ ভূমি আৰু অধিসূচিত বনাঞ্চলৰ বাহিৰৰ অন্যান্য ভূমি।

উপৰোক্ত দুয়োটা বিভাগৰে জে এফ এম চি বনাঞ্চলৰ অৱস্থা সম্পৰ্কে তলত আলোচনা কৰা হ'ল ঃ

### ১.১। বনাঞ্চল আৰু তাৰ অৱস্থা

জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলৰ পূৰ্ণ বিৱৰণ **প্ৰফ'ৰ্মা-৩**ৰ অধীনত **তালিকা-৩.১**ত দাখিল কৰা হৈছে (**'বনোন্নয়ন পৰিকল্পনা'**), যিসমূহ এই ক্ষুদ্ৰ পৰিকল্পনাত পৰিশিষ্ট হিচাপে সংলগ্ন কৰা হৈছে। অন্যান্য বৃক্ষৰোপিত এলেকা (বা বৃক্ষৰোপণ কৰিবলগা) বিবেচনা কৰাৰ পিছত, নামহোলুং জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা তলত দিয়াৰ দৰে সাৰসংক্ষেপ কৰা হৈছে।

**তালিকা-১ ঃ নামহুলুং জে এফ এম চিৰ বনাঞ্চলৰ অৱস্থা**

| চিহ্নিতকৰণ | জে এফ এম চি বনাঞ্চলৰ আয়তন (হেক্টৰ) | গাঁৱৰ পৰা দূৰত্ব (কিঃ মিঃ) | বনাঞ্চলৰ অৱস্থা (ভাল-বনৰ ৪০% আৰু ততোধিক ক্ৰাউন ঘনত্ব বাকী- 'ক্ষতিগ্ৰস্ত') | সম্প্ৰদায়ৰ দ্বাৰা ব্যৱহাৰৰ ব্যৱধানতা (২-৩ মাহ/৩-৬ মাহ/৬-৯ মাহ/৯ মাহৰ বেছি) |
|---|---|---|---|---|
| **(ক) ন্যস্ত বনাঞ্চল** | | | | |
| সীমা এলেকা জুৰি | ~~৩০~~ ৫০ | ০ | ভাল এলেকা ঃ ১৬ হেক্টৰ<br>ক্ষতিগ্ৰস্ত এলেকা ঃ ৫ হেক্টৰ | ২-৩ মাহৰ বেছি |
| **(খ) অন্যান্য ৰোপিত এলেকা** | | | | |
| নিৰ্দিষ্ট সময়ত মঞ্জুৰ কৰা পৰিমাণ অনুসৰি ধাৰ্য কৰা হ'ব | ৭১২ (এন আৰ ৫৩৪ আই পি ১৭৮) | | ভাল এলেকা ঃ নাই<br>ক্ষতিগ্ৰস্ত এলেকা ঃ নাই | |
| মুঠ | | | | |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, তালিকা ৩.১** / বন বিভাগৰ কৰ্মচাৰীআৰু সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে আলোচনা

ইয়াৰ পৰা দেখা গ'ল যে নামহুলুং জে এফ এম চিৰ অন্তৰ্গত বনাঞ্চলৰ ২১০ হেক্টৰ এলেকাৰ ভিতৰত ১৬০ হেক্টৰ 'ভাল' আৰু ৫০ হেক্টৰ 'ক্ষতিগ্ৰস্ত'।

**১.২। বনভূমিৰ প্ৰকাৰ ঃ**

নামহুলুং জে এফ এম চিৰ বনাঞ্চল সাৰুৱা প্ৰকৃতিৰ ভূমিত অৱস্থিত। তলৰ তালিকাত এই বনাঞ্চলৰ কিছু বৈশিষ্ট্য উল্লেখ কৰা হ'ল ঃ

**তালিকা- ২ ঃ নামহুলুং জে এফ এম চিৰ বনাঞ্চলৰ মাটিৰ প্ৰকাৰ**

| **পৰিমাপ** | **ন্যস্ত বনাঞ্চলৰ অৱস্থা** | **বৃক্ষৰোপিত অন্যান্য এলেকাৰ অৱস্থা** |
|---|---|---|
| উৰ্বৰতাৰ পৰ্যায় | ২.৩ৰ পৰা ২.৯৪% জৈৱিক। এন পি ২০৫, কে-২০ মৌলৰ পৰ্যাপ্ততা এই ভূমিত তুলনামূলকভাৱে কম | — |
| ভূমি ক্ষয়ৰ অৱস্থা | — | — |
| উপস্থিতি ঃ | | |
| (ক) পলস | ১৫% | — |
| (খ) বোকামাটি | ২০% | — |
| (গ) নতুনকৈ প্ৰস্তুত কৰা ভূমি | কম | — |
| (ঘ) বালিচাহি | ৬৫% | |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'খ'।** বনাঞ্চলৰ মাটিৰ প্ৰকাৰ/বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যৰ সৈতে হোৱা আলোচনা

নামহুলুং জে এফ এম চি-ৰ বাবে বনাঞ্চলৰ মাটিৰ প্ৰকাৰৰ বৈশিষ্ট্যসমূহ তলৰ সাৰাংশত দিয়া হ'ল ঃ

ক) এণ্টিছ'ল (৩০.৩%)

খ) ইনছেপ্টিছ'ল (৫১.২%)

গ) এলফিছ'ল (১১.৩%)

ঘ) আল্টিছ'ল (৭.১%)

**১.৩। বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ**

নামহুলুং জে এফ এম চিৰ বনাঞ্চলৰ বৰ্তমান উদ্ভিদসমূহ তলত উল্লেখ কৰা হ'ল। এইটো মন কৰিবলগীয়া যে স্থানীয় বনাঞ্চলক পৰ্ণপাতি আৰ্দ্ৰ বনাঞ্চল হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে।

**তালিকা- ৩ ঃ নামহুলুং জে এফ এম চি-ৰ বৰ্তমান উদ্ভিদসমূহ**

| প্ৰজাতি | স্থানীয় নাম | বৈজ্ঞানিক নাম |
|---|---|---|
| মুখ্য বন প্ৰজাতি | চেগুণ | টেক্টোনা গ্ৰেণ্ডিছ লিন |
| সহযোগী প্ৰজাতি | গমাৰি | মেলিনা আৰব'ৰিয়া |
| গুল্ম | ঢেকীয়া | ফাৰ্ণছ |
| | ভোটজলকীয়া | কেপছিকাম ছাইনেন্স |
| ভেষজ উদ্ভিদ | অৰ্জুন | টাৰ্মিনেলিয়া অৰ্জুনা |
| | শিলিখা | টাৰ্মিনেলিয়া চেবুলা |
| | নিম | আজাডিৰাচ্‌টাইণ্ডিকা |
| | আমলখি | ফিলান্থাছএম্বেলিকা |
| উৎপাদন | | |
| অন্যান্য যদি আছে | জৰী বেত | কেলামাছ ইৰেক্টাছ |
| | জাতি বেত | কেলামাছ টেনুইছ |
| | ৰাইডাং বেত | কেলামাছ ৰোটাং |
| | চুলি বেত | কেলামাছ ফ্লেগেল্লাম |
| | লেজাই বেত | কেলামাছ ফ্লৰিবাণ্ডুছ |
| | কেঁকো বাঁহ | ডি হেমিল্টনী |
| | পাহাৰীয়া জাতি বাঁহ | অ'ক্লিটেনথেৰা পাৰ্ভিফ'লিয়া |
| | ডলু বাঁহ | শ্বিজষ্টাচিয়ামডুলোৰা |
| | আমলখি | এমব্লিকা অফিচিনেলিছ্ |
| | হলখ | টাৰ্মিনেলিয়া মাইৰিঅ'কাৰ্পা |
| | হোলোং | ডিপটেৰ'কাৰপাছমেক্ৰকাৰপাছ |
| | অৰ্জুন | টাৰ্মিনেলিয়া অৰ্জুন |
| | আগৰ | আকুইলাৰিয়াআগাল্লোচা |

**উৎস ঃ প্ৰফ'ৰ্মা-৩, 'গ।** বনাঞ্চলৰ বৰ্তমান প্ৰাণী আৰু উদ্ভিদসমূহ/বন বিভাগৰ কৰ্মচাৰী আৰু সম্প্ৰদায়ৰ সদস্যৰ সৈতে আলোচনা

**২। বন উন্নয়ন পৰিকল্পনাৰ বাবে অন্যান্য কৰ্মসূচী**

তলৰ উপশাখাসমূহত নামছুলুং জে এফ এম চিৰ বন উন্নয়ন পৰিকল্পনাৰ অন্যান্য কাৰ্যসূচী দিয়া হ'ল ঃ

**২.১। জে এফ এম চি-ৰ অতীতৰ সুৰক্ষা ব্যৱস্থা**

নামহুলুং জে এফ এম চিত অতীতত লোৱা বন সুৰক্ষা ব্যৱস্থাসমূহ তলত আলোচনা কৰা হ'ল ঃ

ক) জড়িত পৰিয়াল ঃ ১৮৩

খ) জড়িত লোকৰ সংখ্যা ঃ ১৮৩ (প্ৰতিটো পৰিয়ালৰ এজনকৈ)

গ) গৃহীত ব্যৱস্থাৰ সাৰাংশ ঃ উপলব্ধ নহয়

ঘ) কোনো আনুষ্ঠানিক ব্যৱস্থা ঃ উপলব্ধ নহয়

**উৎস ঃ প্ৰ'ফৰ্মা-৩,** জে এফ এম চি-ৰ অৱস্থা- viii + ix / বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চি-ৰ সদস্যৰ সৈতে আলোচনা

## ২.২। বনজ উৎপাদনৰ ঘৰুৱা চাহিদা

স্থানীয় সম্প্ৰদায়ৰ ঘৰুৱা চাহিদাৰ বাবে বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীলতাৰ তথ্য তলৰ তালিকাত দাঙি ধৰা হ'ল।

**তালিকা- ৪ (ক) ঃ নামহুলুং জে এফ এম চিৰ প্ৰতিটো পৰিয়ালৰ বনজ উৎপাদনৰ ঘৰুৱা চাহিদা**

| বনজ উৎপাদনৰ নাম | পৰিয়ালৰ গড় চাহিদা | | বৰ্তমান কিভাৱে চাহিদা পূৰণ হৈছে | উৎস |
|---|---|---|---|---|
| | চাহিদাৰ সময় ব্যৱধান | আনুমানিক পৰিমাণ | | |
| কাঠখৰি | সঘনে | ৬০-৭৫ কেজি | | বনাঞ্চল |
| ঘৰৰ বাবে কাঠ | বছৰত এবাৰ | ২টা | | বনাঞ্চল |
| সঁজুলিৰ বাবে সৰু কাঠ | — | — | | — |
| খুঁটা / বাঁহ | মাহত এবাৰ | ২-৩টা বাঁহ/প্ৰতি মাহত | | বনাঞ্চল |
| বনাঞ্চলৰ পৰা পশুখাদ্য | সঘনে | দৈনিক ৫-৬ কিঃ গ্ৰাঃ | | বনাঞ্চল |
| এন টি এফ পি | সঘনে | দৈনিক ২-৩ কিঃ গ্ৰাঃ | | বনাঞ্চল |
| অন্যান্য | - | - | - | - |

**উৎস** ঃ প্ৰফৰ্মা-৩, **তালিকা-৩.২**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

নামহুলুং জে এফ এম চিত মুঠ ১১৬ ঘৰ পৰিয়াল আছে। ওপৰৰ তালিকা আৰু এই পৰিয়ালৰ সংখ্যাৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি নামহুলুং গাঁৱৰ বাবে বছৰি মুঠ বনজ উৎপাদনৰ চাহিদা নিজস্ব ব্যৱহাৰৰ বাবে তলত উল্লেখ কৰা ধৰণৰ—

**তালিকা- ৪ (খ ) ঃ নামহুলুং জে এফ এম চিৰ সকলো পৰিয়ালৰ বনজ উৎপাদনৰ মুঠ বাৰ্ষিক চাহিদা**

| বনজ উৎপাদনৰ নাম | সম্প্ৰদায়ৰ চাহিদা বাৰ্ষিক কিঃগ্ৰাঃ (*) | মন্তব্য |
|---|---|---|
| কাঠখৰি | ১২০৭০০ | গোটেই বছৰজুৰি |
| ঘৰৰ বাবে কাঠ | ১১৬ টা | ডিচেম্বৰ-জানুৱাৰী |
| সঁজুলিৰ বাবে সৰু কাঠ | — | — |
| খুঁটা / বাঁহ | ৭৩০ টা বাঁহ | ডিচেম্বৰ-জানুৱাৰী |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ১৪০৮০০ | গোটেই বছৰজুৰি |
| এন টি এফ পি | ২০৪০০০ | গোটেই বছৰজুৰি |
| অন্যান্য— | | |

**উৎস** ঃ ওপৰৰ **তালিকা-৪ (ক)** আৰু সম্প্ৰদায়ৰ তথ্যৰ পৰা প্ৰাপ্ত মুঠ পৰিয়ালৰ সংখ্যা

(*) = পৰিয়ালসমূহৰ গড় চাহিদাৰ আনুমানিক পৰিমাণ (**তালিকা-৪ (ক)** × ৬৫টা পৰিয়াল)

## ২.৩। গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সামগ্ৰী সংগ্ৰহ আৰু বিপণন

পৰিয়ালৰ ঘৰুৱা ব্যৱহাৰৰ উপৰি এই ধৰণৰ সামগ্ৰী সংগ্ৰহ কৰি স্থানীয় বজাৰত বিক্ৰীৰ জৰিয়তে গাঁওবাসী বনজ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল। নামহুলুং জে এফ এম চি-ৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণনৰ তথ্য তলৰ তালিকাত উল্লেখ কৰা হ'ল—

**তালিকা- ৫ (ক) ঃ নামহুলুং জে এফ এম চিৰ গাঁওবাসীৰ দ্বাৰা বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন**

| বনজ উৎপাদনৰ নাম | বিপণনৰ বাবে সংগ্ৰহ | | | সংগ্ৰহৰ স্থান |
|---|---|---|---|---|
| | ঋতু / মাহ | সংগ্ৰহকাৰী পৰিয়ালৰ সংখ্যা | সংগৃহীত সামগ্ৰীৰ গড় পৰিমাণ (কিঃ গ্ৰাঃ) | |
| কাঠখৰি | বছৰজুৰি | ১৮৩ | ৪৩২০ | বনাঞ্চল |
| ঘৰৰ বাবে কাঠ | ডিচেম্বৰ-জানুৱাৰী | ১৮৩ | ৪টা | বনাঞ্চল |
| সঁজুলিৰ বাবে সৰু কাঠ | — | — | — | — |
| বাঁহ | ডিচেম্বৰ-জানুৱাৰী | ১৮৩ | ১৬টা | বনাঞ্চল |
| খুঁটা | — | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | বছৰজুৰি | ১৮৩ | দৈনিক ৮ কিঃ গ্ৰাঃ | বনাঞ্চল |
| এন টি এফ পি | বছৰজুৰি | ১৮৩ | ৯-১১ কিঃ গ্ৰাঃ | বনাঞ্চল |
| অন্যান্য | — | — | — | — |

**উৎস ঃ** প্ৰফ'ৰ্মা-৩, **তালিকা-৩.৩**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা। ওপৰৰ তালিকাত উল্লিখিত তথ্যৰ লগত সম্পৰ্কিত কিছু প্ৰাসংগিক তথ্য তলৰ তালিকাত দিয়া হ'ল।

**তালিকা- ৫ (খ) ঃ বনজ উৎপাদন সংগ্ৰহ আৰু বিপণন**

| বনজ উৎপাদনৰ নাম | উদ্বৃত্ত বিপণন (কিঃ গ্ৰাঃ) | কেনেদৰে বিপণন কৰা হয় | বনজ উৎপাদন বিক্ৰীৰ মাধ্যমেৰে প্ৰতিটো পৰিয়ালৰ গড় আয় |
|---|---|---|---|
| কাঠখৰি | ১১৭০০০/বছৰ | স্থানীয় বজাৰ | ১৮০০-২১০০/ মাহ |
| ঘৰৰ বাবে কাঠ | — | — | — |
| সঁজুলিৰ বাবে সৰু কাঠ | — | — | — |
| বাঁহ | ২২-৪০টা / মাহ | স্থানীয় বজাৰ | ৮০০-১২৫০/ মাহ |
| খুঁটা | — | — | — |
| বনাঞ্চলৰ পৰা পশুখাদ্য | ১২০০/ বছৰ | স্থানীয় বজাৰ | ৯০০-১৪০০/ মাহ |
| এন টি এফ পি | — | — | — |
| অন্যান্য— | — | — | — |

**উৎস ঃ** প্ৰফ'ৰ্মা-৩, **তালিকা-৩.৪**/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

## ২.৪। বনজ উৎপাদনৰ মুঠ চাহিদা— ঘৰুৱা ব্যৱহাৰ আৰু বিপণনৰ বাবে

পূৰ্বে উল্লেখ কৰা উপ-শাখাৰ তথ্যৰ ভিত্তিত নামহুলুং জে এফ এম চিৰ সম্প্ৰদায়ৰ সদস্যসকলৰ বনজ উৎপাদনৰ মুঠ চাহিদাৰ সাৰাংশ তলত দিয়া হ'ল।

**দ্ৰষ্টব্য ঃ** পূৰ্ববৰ্তী পৃষ্ঠাত উল্লেখ কৰা এই অধ্যায়ৰ তালিকা ৪ (খ) আৰু ৫ (খ)

## ৩। বন সুৰক্ষা সংক্ৰান্ত বিষয়

### ৩.১। সুৰক্ষা সমস্যাসমূহ

নামহুলুং জে এফ এম চিৰ বনাঞ্চল সুৰক্ষাৰ বিষয়সমূহ সংক্ষিপ্তভাৱে তলত দিয়া হ'ল—

**তালিকা- ৭ ঃ নামহুলুং জে এফ এম চিৰ সুৰক্ষা সমস্যাসমূহ**

| সমস্যাৰ ধৰণ | প্ৰাসংগিক (হয়/নহয়) | গুৰুত্ব (হয়/নহয়) |
|---|---|---|
| চৰণীয়া পথাৰ-স্থানীয় পশু | হয় | হয় |
| চৰণীয়া পথাৰ- অন্যান্য এলেকাৰ পশু | হয় | হয় |
| বেআইনীভাৱে কাঠকটা | নহয় | নহয় |
| কাঠ চোৰাং চালান | হয় | হয় |
| দুৰ্ঘটনাবশতঃ অগ্নিকাণ্ড | হয় | হয় |
| বনভূমি বেদখল | হয় | হয় |
| সাপে কামোৰাৰ ঘটনা/জীৱনৰ ভাবুকি/ বন সুৰক্ষাত বিপদ | হয় | হয় |
| ভেষজ উদ্ভিদ চুৰি | হয় | নহয় |

**উৎস ঃ** প্ৰফ'ৰ্মা-৩, তালিকা ৩.৫/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

এইদৰে উপৰোক্ত জে এফ এম চিত বন সুৰক্ষা সম্পৰ্কীয় বিষয়ত সন্মুখীন হোৱা দিশসমূহ হ'ল—

ক) চৰণীয়া পথাৰ — স্থানীয় জন্তু

খ) চৰণীয়া পথাৰ — অন্যান্য এলেকাৰ জন্তু

### ৩.২। বনাঞ্চল ক্ষতিৰ কাৰণসমূহ

নামহুলুং জে এফ এম চিত বনাঞ্চল অনুন্নয়নৰ কাৰণসমূহ তলত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি—

ক) কোনো বৈজ্ঞানিক পৰিকল্পনা নাই

খ) জনজাতীয় মানুহৰ পৰম্পৰাগত খেতি

গ) পাৰ্বত্য এলেকাৰ দিশত উগ্ৰপন্থী সমস্যা

(**উৎস ঃ** প্ৰফ'ৰ্মা-৩, তালিকা ৩.৬/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা)

## ৪। বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ

নামহুলুং জে এফ এম চি-ত বনাঞ্চল উন্নয়ন পৰিকল্পনাৰ বিষয়সমূহ তলৰ উপ-শাখাত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি, যেনে সুৰক্ষাৰ পৰিকল্পনা, বন উন্নয়ন (পৰিচৰ্যা), নাৰ্ছাৰী উন্নয়ন, তত্বাৱধান আৰু বিবিধ প্ৰকাৰৰ কাম-কাজ।

### ৪.১। সুৰক্ষা পৰিকল্পনা

সুৰক্ষা পৰিকল্পনাৰ বিষয়সমূহ তলত দিয়াৰ দৰে— নামহুলুং জে এফ এম চি-ৰ বন সুৰক্ষা সম্পৰ্কীয় বিষয়সমূহ পূৰ্বে আলোচিত উপ-শাখা ৩.১ৰ পৰা আলোচনা কৰা হৈছে।

**তালিকা- ৮ ঃ নামহুলুং জে এফ এম চিৰ সুৰক্ষা পৰিকল্পনা**

| সুৰক্ষা কৰ্ম (প্ৰযোজ্য হিচাপে প্ৰফৰ্মা-৩ৰ তালিকা ৩.৭ৰ পৰা পূৰণ কৰা হ'ব | বনাঞ্চল এলেকাৰ অৱস্থিতি | ব্যৱস্থা গ্ৰহণৰ সংখ্যাগত মান নিৰ্ণয় (দৈৰ্ঘ্য, আয়তন, আকাৰ ইত্যাদি) | সময়-কাল | অগ্ৰাধিকাৰ (উচ্চ /মধ্যম/নিম্ন) |
|---|---|---|---|---|
| ১। পহৰাদাৰ নিয়োগ | সংৰক্ষিত বনাঞ্চল | ৩ কিলোমিটাৰ | সন্ধিয়া ৬ বজাৰ পৰা পুৱা ৬ বজা | উচ্চ |
| ২। চোৰাংচোৰা বঁটা | সংৰক্ষিত বনাঞ্চল | ৩ কিলোমিটাৰ | যিকোনো সময়ত | উচ্চ |
| ৩। অগ্নি সুৰক্ষা | সংৰক্ষিত বনাঞ্চল | ৩ কিলোমিটাৰ | যিকোনো সময়ত | উচ্চ |

**উৎস ঃ** প্ৰফৰ্মা-৩, তালিকা- ৩.৭/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা

এইদৰে নামহুলুং জে এফ এম চিত পৰিকল্পনা কৰা উল্লেখযোগ্য প্ৰতিৰক্ষা ব্যৱস্থাসমূহ (উচ্চ/মধ্যম অগ্ৰাধিকাৰসহ) তলত দিয়াৰ দৰে—

ক) বেৰ

খ) অগ্নি সুৰক্ষা

## ৪.২। প্ৰস্তাৱিত কাম-কাজৰ প্ৰকাৰ

নামহুলুং জে এফ এম চি-ৰ বনাঞ্চলৰ ক্ষতিগ্ৰস্ত এলেকাসমূহৰ নিৰাময়ৰ বাবে প্ৰস্তাৱিত কাম-কাজৰ ধৰণ তলত উল্লেখ কৰা হ'ল।

**তালিকা- ৯ ঃ নামহুলুং জে এফ এম চি-ৰ প্ৰস্তাৱিত কাম-কাজৰ প্ৰকাৰ**

| নিৰাময় ব্যৱস্থা | প্ৰয়োজনীয় (হয়/নহয়) | জে এফ এম চি-ৰ দায়িত্ব (হয়/নহয়) | মাহ/বছৰ যেতিয়া কৰিব পাৰি | নিৰাময় ব্যৱস্থাৰ বাবে প্ৰস্তাৱিত বৰ্ধিত এলেকা (হেক্টৰ) |
|---|---|---|---|---|
| ক্ষতিগ্ৰস্ত বনাঞ্চলৰ পুনৰুদ্ধাৰ | হয় | হয় | জুন-জুলাই | ২০০ |
| কটা গছৰ গুৰিৰ সুৰক্ষা | হয় | হয় | বছৰজুৰি | ২০০ |
| জল বিভাজিকা নিৰাময় | হয় | হয় | বছৰজুৰি | ৫ হেক্টৰ |
| জলাধাৰ | হয় | হয় | বছৰজুৰি | — |
| ঘাঁহ আৰু তৃণভূমিৰ কাম | হয় | হয় | বছৰজুৰি | সংৰক্ষিত বনাঞ্চল |
| বাঁহ ৰোপণ | নহয় | নহয় | নহয় | নহয় |
| বীজ সিঁচা | হয় | হয় | বছৰজুৰি | — |
| শিপা আৰু অংকুৰ কটা আৰু ৰোপণ | হয় | হয় | বছৰজুৰি | — |
| কলম আৰু নিৰাময় | হয় | হয় | বছৰজুৰি | — |
| শিলৰ প্ৰাচীৰ/অন্য বেৰ | হয় | হয় | বছৰজুৰি | ২০০ হেক্টৰ |
| সামাজিক বেৰ | হয় | হয় | বছৰজুৰি | ২০০ হেক্টৰ |
| অন্যান্য কাম-কাজ (হাতীৰ পৰা সুৰক্ষা) | হয় | হয় | বছৰজুৰি | সংৰক্ষিত বনাঞ্চল |

**উৎস ঃ** প্ৰফৰ্মা-৩, তালিকা-৩.৯/বন বিভাগৰ কৰ্মচাৰী আৰু জে এফ এম চিৰ সদস্যৰ সৈতে আলোচনা।

এইদৰে নামহুলুং জে এফ এম চি-ৰ বনাঞ্চল এলেকাত নিৰাময় কাম-কাজৰ বাবে নিম্নোক্ত প্ৰস্তাৱসমূহ দিয়া হৈছেঃ

ক) বীজ সিঁচা

খ) শিপা আৰু অংকুৰ কটা আৰু ৰোপণ

**৪.৩। বনাঞ্চল উন্নয়ন পৰিকল্পনা— অগ্ৰিম কাম-কাজ আৰু বন সৃষ্টি**

ওপৰত উল্লেখ কৰা বিষয়সমূহৰ সৈতে সংশ্লিষ্ট বিষয়বোৰ তলৰ তালিকাত উল্লেখ কৰা হ'ল।

**তালিকা- ১০ ঃ নামহুলুং জে এফ এম চি-ৰ বনাঞ্চল উন্নয়ন পৰিকল্পনা**

| নিৰাময় ব্যৱস্থা | ৰোপণৰ বাবে হেক্টৰৰ হিচাপত নিৰ্দ্ধাৰিত এলেকা | ব্লক ৰোপণৰ বাবে অগ্ৰাধিকাৰ | প্ৰজাতি | স্থান ব্যৱধান (মিটাৰ × মিটাৰ) |
|---|---|---|---|---|
| প্ৰাকৃতিকভাৱে পুনৰুজ্জীৱিতকৰণত সহায়তা (ৰোপণৰ স্থান ব্যৱধানসহ) | ৪৫ হেক্টৰ এ পি এফ বি চিৰ দ্বাৰা এ এল আৰ | — | শাল বহিৰ্ভূত এন টি এফ পি | ২×২ |
| ব্লক ৰোপণ | — | — | — | — |
| নিম, আমলখি, মহুৰা বহৰা (ভেষজ উদ্ভিদ)ৰ বীজ সিঁচা | ১৫ | — | ভেষজ উদ্ভিদ | — |
| সমৃদ্ধকৰণ ৰোপণ/সিঁচা | — | — | — | — |
| পোনপটীয়া ৰোপণ | — | — | — | — |
